# অন্বেষণ

অষ্টম বছৰ ■ পঞ্চম সংখ্যা ■ জুন, ২০২১



## জয়পুৰ: মৰুৰ বুকুত গুলপীয়া চহৰ

## দ্বিতীয় বিশ্বযুদ্ধ



## বিধানসভা নিৰ্বাচন, ২০২১



এণ্ট'নাইন প্ৰাচীৰ



ডিকিনছনিয়াৰ জীৱাশ্ম

# অন্বেষণ

**অষ্টম বছৰ, পঞ্চম সংখ্যা, জুন ২০২১ চন**

**অন্বেষণ**, অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ দ্বাৰা প্ৰকাশিত সাধাৰণ জ্ঞান-ভিত্তিক এখন মাহেকীয়া আলোচনী

**ANWESHAN**, A Monthly inhouse journal of Assam Jatiya Bidyalay,
Published by Assam Jatiya Bidyalay Educational and Socio-Economic Trust
Email : assamjatiyabidyalay@gmail.com
Website : assamjatiyabidyalay.com

## সূচীপত্ৰ

২ **দ্বিতীয় বিশ্ব যুদ্ধ**
- অভিজিত শৰ্মা বৰুৱা

৬ **শ্ৰদ্ধাঞ্জলি**

৮ **দেশ-বিদেশৰ খবৰ**
- কুশল গোস্বামী

১১ **খবৰৰ লেছেৰি বোটলা**
- কুশল গোস্বামী

১২ **হিক্কিম : ভাৰতৰ আটাইতকৈ বেছি উচ্চতাত অৱস্থিত গাঁওখন আৰু ডাকঘৰটো**
- বনানী ডেকা

১৩ **চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা**

১৯ **কুইজ**
- সীমান্ত কলিতা

২০ **চুড'কু**

২১ **আমাৰ ৰাজ্যৰ প্ৰথম মহিলা সাংবাদিকগৰাকী**
- অপৰ্ণা দেৱী

২২ **জয়পুৰ : মৰুৰ বুকুত গুলপীয়া চহৰ**
- অলকা গোস্বামী

২৩ **আদৰ্শবান ৰাজনীতিক হেম বৰুৱা**
- প্ৰণীতা দেৱী

২৫ **মানসিক সামৰ্থ্য বিকাশ**
- ৰবীন্দ্ৰ বৰ্মন

২৬ **মেগ্না কাৰ্টা—নাগৰিকৰ অধিকাৰৰ মহান চনদ**
- ৰাণু বুজৰবৰুৱা

২৮ **ওলোমা উপত্যকা কি ?**
- নিজৰা গোহাঁই

২৯ **Stories from Shakespeare's Plays**
- Bhaktimala Saikia

৩০ **Did You Know**
- Dimple Talukdar

৩১ **ৰাণী এলিজাবেথ দ্বিতীয়**
- পল্লৱী গোস্বামী

৩২ **ভাৰতত ডিকিনছনিয়া**
- ছেহনাজ আখটাৰ

**সম্পাদক** : ডাঃ নাৰায়ণ শৰ্মা (অবৈতনিক)
**সহযোগী সম্পাদক** : পংকজ দত্ত
**উপ-সম্পাদক** : কুশল গোস্বামী, ডঃ লিপিমণি দত্ত, ডিম্পল তালুকদাৰ
**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী
**বেটুপাত** : কুঞ্জৰ দাস
**আলোকচিত্ৰ** : প্ৰকাশ দত্ত
**ছবি** : পূৰবী ৰাণী বৰা
**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ
**মূল্য** : বিছ টকা

*অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰ দ্বাৰা প্ৰকাশিত, অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰণৱ শৰ্মাৰ দ্বাৰা মুদ্ৰিত।*

# দ্বিতীয় বিশ্ব যুদ্ধ

■ অভিজিত শৰ্মা বৰুৱা



দ্বিতীয় বিশ্ব যুদ্ধ মানৱ সভ্যতাৰ ইতিহাসত এতিয়ালৈকে সংঘটিত যুদ্ধসমূহৰ ভিতৰত আটাইতকৈ বৃহৎ আৰু ভয়াবহ যুদ্ধ। এই মহাযুদ্ধ ১৯৩৯ চনৰ ১ ছেপ্টেম্বৰত আৰম্ভ হৈ ১৯৪৫ চনৰ ১৪ আগষ্টত সমাপ্ত হোৱা বুলি ধৰা হ'লেও ১৯৩৯ চনৰ আগতে এছিয়াত সংঘটিত কেইখনমান যুদ্ধকো কিছু ঐতিহাসিকে দ্বিতীয় বিশ্বযুদ্ধৰ অংশ হিচাপে গণ্য কৰিব খোজে।

এই যুদ্ধত বিশ্বৰ সকলো প্ৰধান শক্তিধৰ দেশৰ উপৰি আন কিছু দেশেও অংশগ্ৰহণ কৰিছিল। এই যুদ্ধত প্ৰত্যক্ষভাৱে ৩০ খনৰো অধিক দেশে অংশগ্ৰহণ কৰিছিল। এই বিশ্ব যুদ্ধত যিমান সামৰিক লোকৰ মৃত্যু হৈছিল, তাতকৈ বেছি সাধাৰণ লোকৰ মৃত্যু হৈছিল। এই যুদ্ধত সামৰিক আৰু অসামৰিক লোক মিলি প্ৰায় ৮০ নিযুত লোকৰ মৃত্যু হৈছিল।

দ্বিতীয় বিশ্বযুদ্ধত অংশগ্ৰহণকাৰী দেশসমূহ মূলতঃ দুটা ভাগত বিভক্ত হৈছিল আৰু এই দুটা পক্ষৰ নাম আছিল মিত্ৰ শক্তি (Allies Power) আৰু অক্ষ শক্তি (Axis Power)। মিত্ৰ শক্তিৰ প্ৰধান দেশসমূহ আছিল গ্ৰেট ব্ৰিটেইন, ফ্ৰান্স, ছোভিয়েট ইউনিয়ন, আমেৰিকা আৰু চীন। অক্ষশক্তিৰ অন্তৰ্ভুক্ত মূল তিনিখন দেশ আছিল জাৰ্মানী, ইটালী আৰু জাপান। এই বিশ্ব যুদ্ধত প্ৰথমবাৰৰ বাবে সামৰিক বিমানসমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। দ্বিতীয় বিশ্ব যুদ্ধত প্ৰথমবাৰৰ বাবে অতিশয় বিধ্বংসী পাৰমাণৱিক বোমা প্ৰয়োগ কৰা হৈছিল।

## দ্বিতীয় বিশ্বযুদ্ধ সংঘটিত হোৱাৰ কাৰণ

কিহৰ বাবে দ্বিতীয় বিশ্ব যুদ্ধৰ সৃষ্টি হ'ল, তাকে লৈ যথেষ্ট বিতৰ্কৰ অৱকাশ আছে। অৱশ্যে বেছিভাগ ঐতিহাসিকৰ মতে মূল কাৰণ আছিল এনেধৰণৰ—

প্ৰথম বিশ্ব যুদ্ধৰ পাছত শান্তি চুক্তিৰ নামত বিজয়ী দেশসমূহে কিছুমান অনুচিত সুবিধা ল'বলৈ চেষ্টা কৰিছিল আৰু পৰাজিত দেশসমূহৰ ওপৰত বহুতো শাস্তিমূলক ব্যৱস্থা আৰু বাধ্যবাধকতা জাপি দিছিল। প্ৰথম বিশ্ব যুদ্ধৰ পাছত এই যুদ্ধৰ মূল কাৰণ হিচাপে জাৰ্মানী আৰু জাপানৰ আধিপত্য বিস্তাৰৰ চেষ্টা আৰু সাম্ৰাজ্যবাদকে দায়ী কৰা হৈছিল আৰু ভাৰ্ছাই চুক্তিকে ধৰি কিছুমান চুক্তিৰ জৰিয়তে তেওঁলোকৰ হাত-ভৰি বান্ধি ৰখাৰ চেষ্টা কৰা হৈছিল। প্ৰথম বিশ্বযুদ্ধৰ পাছত

জাৰ্মানীয়ে তেওঁলোকৰ সম্পদ, সন্মান আৰু ক্ষমতাৰ অধিকাংশই হেৰুৱাইছিল। জাৰ্মানীৰ শাসক আৰু প্ৰজাৰ মনত এই হৃত অৰ্থনৈতিক, সামৰিক আৰু ভূমি সম্পদ পুনৰুদ্ধাৰ কৰাৰ আৰু জাৰ্মানীক পুনৰ এক বিশ্বমানৰ শক্তি হিচাপে প্ৰতিষ্ঠা কৰাৰ এক দুৰ্বাৰ আকাংক্ষা জাগি উঠিছিল। তদুপৰি জাৰ্মানীৰ আন এক জাতীয় ইচ্ছা আছিল প্ৰথম বিশ্ব যুদ্ধৰ পাছত সম্পাদিত তেওঁলোকৰ বাবে অপমানজনক ভাৰ্ছাই চুক্তিৰ পৰা ওলাই অহাৰ। পৰৱৰ্তী কালত জাৰ্মানীত ক্ষমতালৈ অহা এডলফ হিটলাৰ আৰু তেওঁৰ নাজী বাহিনীৰ ধাৰণা আছিল যে এক জাতীয় বিপ্লৱৰ জৰিয়তে দেশখনক নতুনকৈ সংগঠিত কৰি শক্তিশালী কৰি তুলিব পৰা যাব। জাপানেও তেওঁলোকৰ হৃত সন্মান আৰু অঞ্চলসমূহ পুনৰুদ্ধাৰৰ চেষ্টা চলাইছিল। ১৯৩৭ চনত পূব এছিয়াত আধিপত্য বিস্তাৰৰ বাবে জাপানে প্ৰজাতন্ত্ৰী চীন আক্ৰমণ কৰিছিল। প্ৰকৃততে সেয়া আছিল দ্বিতীয় বিশ্বযুদ্ধৰ আগজাননী। আনহাতে জাৰ্মানীয়েও চুবুৰীয়া আৰু তুলনামুলকভাৱে শক্তিহীন পোলেণ্ড আৰু ইউক্ৰেইনৰ সম্পদসমৃদ্ধ ভূমিভাগ নিজৰ নিয়ন্ত্ৰণলৈ আনিব বিচাৰিছিল।

১৯৩৯ চনৰ ১ ছেপ্টেম্বৰত জাৰ্মানীৰ নাজী বাহিনীৰ পোলেণ্ড আক্ৰমণৰ যোগেদি দ্বিতীয় বিশ্বযুদ্ধৰ আৰম্ভণি ঘটে। পোলেণ্ডৰ লগত ব্ৰিটেইন আৰু ফ্ৰান্সৰ সহায়তা চুক্তি আছিল। গতিকে দুদিন পাছতে ৩ ছেপ্টেম্বৰত ব্ৰিটেইন আৰু ফ্ৰান্সৰ মিত্ৰ বাহিনীয়েও জাৰ্মানীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে।

## যুদ্ধৰ আৰম্ভণি

১৯৩৯ চনৰ ১ ছেপ্টেম্বৰত যুদ্ধ আৰম্ভ কৰি প্ৰথম দিনাই জাৰ্মান বাহিনীয়ে পোলেণ্ডক ছিন্ন-বিচ্ছিন্ন কৰি দিলে। ফ্ৰান্স আৰু ব্ৰিটিছ বাহিনীয়ে সহায় কৰাৰ সুযোগেই নাপালে। কিছু ঐতিহাসিকৰ মতে ব্ৰিটিছ আৰু ফ্ৰান্স বাহিনীয়ে ইচ্ছা কৰি বিলম্ব কৰি থাকিল। এই ঘটনাক ‘পশ্চিমৰ বিশ্বাসভংগতা’ বুলি জনা যায়। গোপন বুজাবুজি অনুসৰি ১৭ ছেপ্টেম্বৰত ছোভিয়েট বাহিনীয়েও জাৰ্মান বাহিনীৰ সৈতে আক্ৰমণত অংশগ্ৰহণ কৰিলে। তাৰ পিছ দিনাই পোলেণ্ডৰ শাসকসকলে পৰাজয় আসন্ন বুলি ভাবি দেশ ত্যাগ কৰিলে। ২৭ ছেপ্টেম্বৰত পোলেণ্ডৰ ৰাজধানী ওৱাৰ্ছ'ৰ পতন ঘটিল।

১৯৩৯ চনৰ ৩০ নৱেম্বৰত ছোভিয়েট ইউনিয়নে ফিনলেণ্ড আক্ৰমণ কৰি শীতকালীন যুদ্ধ আৰম্ভ কৰে। কিন্তু ফিনলেণ্ডৰ লোকসকলে প্ৰবল ইচ্ছাশক্তিৰ নমুনা দেখুৱাই এই আক্ৰমণ প্ৰতিহত কৰে। জাতি সংঘৰ (League of Nations) নীতি-নিয়ম উলংঘা কৰি যুদ্ধত লিপ্ত হোৱা বাবে ১৪ ডিছেম্বৰত ছোভিয়েট ইউনিয়নক জাতি সংঘৰ পৰা বহিষ্কাৰ কৰা হয়। ১৯৪০ চনৰ ২ ফেব্ৰুৱাৰীত ছোভিয়েট ইউনিয়নে বিমান, টেংক আৰু শ্লেজআৰোহী সেনাৰ সহায়ত একেলগে ফিনলেণ্ডৰ প্ৰতিৰক্ষা ৰেখাত আক্ৰমণ চলাবলৈ আৰম্ভ কৰে। অৱস্থা বেগতিক দেখি ১৯৪০ চনৰ ৬ মাৰ্চত ফিনলেণ্ডে শান্তিৰ বাবে আবেদন কৰে। ছোভিয়েট ইউনিয়নক তেওঁলোকে লেনিনগ্ৰাডৰ ওচৰা-উচৰি কিছু অঞ্চল এৰি দিবলৈ বাধ্য হ'ল। তুলনামূলকভাৱে সৰু দেশ এখনক পৰাভূত কৰিবলৈকে ইমান সময় আৰু শক্তি খৰচ কৰিবলগীয়া হোৱাত হিটলাৰৰো ছোভিয়েট ইউনিয়নৰ শক্তি-সামৰ্থ্য সম্পৰ্কত এক ভ্ৰান্ত নিম্ন ধাৰণাৰ সৃষ্টি হয়। এই ধাৰণাৰ বশৱৰ্তী হৈয়েই হিটলাৰে পাছত ছোভিয়েট ইউনিয়নক আক্ৰমণ কৰিছিল।

## অক্ষ শক্তিৰ অগ্ৰগতি

১৯৪০ চনৰ ৯ এপ্ৰিলত হিটলাৰৰ জাৰ্মান বাহিনীয়ে একেলগে নৰৱে আৰু ডেনমাৰ্ক আক্ৰমণ কৰে। জাৰ্মান বাহিনীৰ আক্ৰমণত ডেনমাৰ্কে বিনা বাধাই আত্মসমৰ্পণ কৰিলে। তাৰ কিছু দিন পাছত নৰৱেৰো পতন ঘটিল। ১৯৪০ চনৰ ১০ মে'ত জাৰ্মান বাহিনীয়ে একেলগে ফ্ৰান্স, বেলজিয়াম, নেডাৰলেণ্ড আৰু লুক্সেমবাৰ্গ আক্ৰমণ কৰে। ১৪ মে'ত নেডাৰলেণ্ডৰ পতন ঘটিল। ২৭ মে'ত পতন ঘটিল বেলজিয়ামৰ। ১০ জুনত ইটালীয়েও যুদ্ধ ঘোষণা কৰিলে। ১৪ জুনত ফ্ৰান্সৰ ৰাজধানী পেৰিছৰ পতন ঘটিল। ২২ জুনত জাৰ্মান-ফ্ৰান্স আৰু ২৪ জুনত জাৰ্মান-ইটালী শান্তি চুক্তি স্বাক্ষৰিত হ'ল। ফলত ফ্ৰান্সৰ বেছিভাগ এলেকা জাৰ্মানীৰ অধীনলৈ যায়।

পৰৱৰ্তী সময়ত হিটলাৰে ছোভিয়েট ইউনিয়নক আক্ৰমণ কৰাৰ কথা চিন্তা কৰিলে। এই আক্ৰমণৰ প্ৰস্তুতি

হিচাপে ১৯৪০ চনত জাৰ্মানীয়ে ৰুমানিয়াৰ সৈতে এক তেল-অস্ত্ৰ চুক্তিত স্বাক্ষৰ কৰিলে। এই চুক্তিত অসন্তুষ্ট হৈ ৰুমানিয়াৰ জনগণে আন্দোলন আৰম্ভ কৰাত ৰুমানিয়াৰ ৰজা দ্বিতীয় কেৰলে সেই আন্দোলনৰ ওচৰত সেও মানি সিংহাসন ত্যাগ কৰিলে। তাৰ পাছত তেওঁৰ পুত্ৰ মাইকেল ৰজা হ'ল আৰু ৰুমানিয়াৰ সেনাপ্ৰধান আন্তনেস্কুয়ে প্ৰতিবাদকাৰীসকলক দমন কৰিবলৈ জাৰ্মান সেনাক আহ্বান জনালে। ১৯৪০ চনৰ ১২ অক্ট'বৰত জাৰ্মান সেনাই বুখাৰেষ্টত প্ৰৱেশ কৰি বিদ্ৰোহীসকলক এসেকা দিলে। ১৯৪০ চনৰ ২৮ অক্টোবৰত ইটালীৰ শাসক বেনিটো মুছোলিনিয়ে আলবেনিয়াৰ পৰা গ্ৰীছ দেশ আক্ৰমণ কৰে। কিন্তু গ্ৰীকসকলে এই আক্ৰমণতো প্ৰতিহত কৰিলেই, লগতে মুছোলিনিৰ বাহিনীক পৰাভূত কৰি আলবেনিয়াৰ এক তৃতীয়াংশ দখল কৰি পেলালে। তুৰস্কয়েও সেনাসমাৰেশ ঘটাই যুদ্ধৰ বাবে সাজু হৈ থাকিল। বুলগেৰিয়া আৰু যুগোশ্লাভিয়া তেতিয়ালৈকে নিৰপেক্ষ হৈ থাকিলেও যুদ্ধৰ বাবে সক্ষম হৈ থাকিল। হিটলাৰে হাংগেৰী, ৰুমানিয়া আৰু শ্লোভাকিয়াক অক্ষ শক্তিৰ হকে যুদ্ধ কৰিবলৈ চুক্তিত স্বাক্ষৰ কৰালে। বুলগেৰিয়াই জাৰ্মান আধিপত্য মানি ল'বলৈ অস্বীকাৰ কৰাত ২ মাৰ্চত জাৰ্মান সেনাই বুলগেৰিয়া আক্ৰমণ কৰিলে। আসন্ন বিপদ আঁতৰাবলৈ যুগোশ্লাভিয়াৰ যুৱৰাজ পলে ২৭ মাৰ্চত অক্ষ শক্তিত যোগ দিলে। কিন্তু তাৰ প্ৰতিবাদত দুদিন পাছতে জেনেৰেল চিমোভিচৰ নেতৃত্বত সেনা অভ্যুত্থান ঘটে আৰু ৰজা দ্বিতীয় পিটাৰ সিংহাসনত বহে। তাৰ পাছতে যুগোশ্লাভিয়াৰ নীতিৰ পৰিবৰ্তন ঘটাত ৬ এপ্ৰিলত জাৰ্মানীয়ে যুগোশ্লাভিয়া আক্ৰমণ কৰে। একে দিনাই জাৰ্মানীয়ে গ্ৰীচো আক্ৰমণ কৰে। ১৭ এপ্ৰিলত বুলগেৰিয়া আৰু ২২ এপ্ৰিলত গ্ৰীচে জাৰ্মানীৰ ওচৰত আত্মসমৰ্পণ কৰে। তাৰ পাছত জাৰ্মান বাহিনীয়ে ব্ৰিটিছ সেনাক পৰাভূত কৰি ক্ৰীট দখল কৰে। যুগোশ্লাভিয়াক খণ্ড-বিখণ্ড কৰি অক্ষ শক্তিৰ দেশসমূহে ভাগ কৰি লয়। কিন্তু যুগোশ্লাভিয়াৰ কমিউনিষ্ট দলে তেওঁলোকৰ নেতা যোছেফ টিটোৰ নেতৃত্বত আগ্ৰাসনকাৰীসকলৰ বিৰুদ্ধে গেৰিলা যুদ্ধ অব্যাহত ৰাখে।

## মিত্ৰ শক্তিৰ ওলোটা আক্ৰমণ

১৯৪০ চনৰ ডিছেম্বৰত প্ৰেক্ষাপট সলনি হ'ল আৰু ব্ৰিটিছ সাম্ৰাজ্যৰ সেনাবাহিনীয়ে মিছৰ আৰু ইটালী অধিকৃত পূব আফ্ৰিকাত ইটালীৰ ফেছিষ্ট বাহিনীৰ বিৰুদ্ধে অত্যন্ত সফল এক আক্ৰমণ চলায়। এই আক্ৰমণৰ ফলত ১৯৪১ চনৰ ফেব্ৰুৱাৰীত ইটালীয়ে পূব লিবিয়াৰ দখল হেৰুৱালে আৰু লগতে তেওঁলোকৰ যথেষ্ট সৈনিক যুদ্ধবন্দী হ'ল। ইটালীৰ নৌশক্তিও যথেষ্ট ক্ষতিগ্ৰস্ত হল।

আফ্ৰিকা আৰু ভূমধ্যসাগৰীয় অঞ্চলত ইটালীৰ পৰাজয়ৰ বাবে জাৰ্মানীয়ে বাধ্য হৈ সেই অঞ্চললৈ এক অভিযানকাৰী বাহিনী পঠাবলৈ বাধ্য হ'ল। জাৰ্মানীৰ মাৰ্শ্বেল ৰোমেলৰ 'আফ্ৰিকা কৰ্পছ' বাহিনীয়ে আক্ৰমণ চলাই ব্ৰিটিছৰ কমনৱেলথ বাহিনীক পিছ হুঁহকিবলৈ বাধ্য কৰে। জাৰ্মান বাহিনীয়ে পশ্চিম মিছৰলৈ আগবাঢ়ি যায় আৰু তব্ৰুক বন্দৰ দখল কৰে। ১৯৪১ চনৰ মে' মাহত ব্ৰিটিছ কমনৱেলথ বাহিনীয়ে ইৰাকত জাৰ্মান সমৰ্থিত এক অভ্যুত্থান ব্যৰ্থ কৰি দিয়ে। জুন-জুলাই মাহত এই বাহিনীয়ে ছিৰিয়া আৰু লেবাননত সফল যুদ্ধ চলাই এই দেশ দুখন দখল কৰে। এই যুদ্ধত ফ্ৰান্সৰ সেনাবাহিনীয়েও সহায় কৰিছিল।

ইংলেণ্ডে যাতে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ৰাছিয়াক তেওঁলোকৰ পক্ষলৈ নিব নোৱাৰে, তাৰ প্ৰতি লক্ষ্য ৰাখি হিটলাৰে ৰাছিয়াৰ লগত এক চুক্তি কৰিব বিচাৰিছিল। একে সময়তে তেওঁ ৰাছিয়া আক্ৰমণৰ বাবে সীমান্তত বিপুল সেনা সমাবেশো ঘটাইছিল, যাতে ৰাছিয়াই চুক্তিত স্বাক্ষৰ কৰিবলৈ অমান্তি হ'লে যুদ্ধৰ মাধ্যমেৰে বাধ্য কৰিব পৰা যায়। হিটলাৰে আশংকা কৰাটোৱেই হ'ল। প্ৰস্তাৱিত চুক্তিৰ কিছুমান চৰ্ত গ্ৰহণযোগ্য নোহোৱাৰ বাবে ৰাছিয়াই চুক্তিত স্বাক্ষৰ কৰিবলৈ অমান্য হ'ল। ফলত ১৯৪০ চনৰ ১৮ ডিছেম্বৰত হিটলাৰে ৰাছিয়া আক্ৰমণৰ প্ৰস্তুতি চলোৱাৰ আদেশ প্ৰদান কৰে। হ'লেও আচল যুদ্ধ আৰম্ভ হ'ল ১৯৪১ চনৰ ২২ জুনত। সেই দিনাই জাৰ্মানীয়ে মিত্ৰ ইটালী আৰু ৰুমানিয়াক সংগী হিচাপে লৈ ছোভিয়েট ইউনিয়নক আক্ৰমণ কৰে। এই অভিযান 'অপাৰেছন বাৰ্বাৰোচা' নামেৰে পৰিচিত। পাছে প্ৰথম কেইখনমান যুদ্ধত সফলতাৰ পাছত বিখ্যাত ষ্টেলিনগ্ৰাড যুদ্ধত জাৰ্মান বাহিনী শোচনীয়ভাৱে পৰাজিত হয় আৰু

তেওঁলোকৰ ছোভিয়েট ইউনিয়ন অধিকাৰ কৰাৰ সপোন তাতে শেষ হ'ল।

১৯৪১ চনৰ ডিছেম্বৰত জাপানে অক্ষশক্তিত যোগদান কৰে আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ পাৰ্ল হাৰবাৰস্থিত নৌবাহিনীক বিমানেৰে আক্ৰমণ কৰে। তদুপৰি জাপানে অত্যন্ত দ্ৰুতভাবে ইউৰোপীয় উপনিৱেশসমূহো আক্ৰমণ কৰি পশ্চিম প্ৰশান্ত মহাসাগৰীয় অধিকাংশ অঞ্চল দখল কৰে। জাপানৰ আক্ৰমণৰ পাছতে ১৯৪১ চনৰ ৭ ডিছেম্বৰত আমেৰিকা যুক্তৰাষ্ট্ৰই অক্ষ শক্তিৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ অংশগ্ৰহণৰ ফলত মিত্ৰ শক্তি যথেষ্ট শক্তিশালী হৈ পৰিল।

## শেষৰ আৰম্ভণি

১৯৪৩ চনত অক্ষ শক্তিৰ অৱস্থা অধিক বেয়ালৈ যায়। পূব ফ্ৰণ্টত একেলেথাৰিয়ে কেবাখনো যুদ্ধত জাৰ্মান বাহিনী পৰাজিত হয়। আনহাতে মিত্ৰ পক্ষই ছিচিলি আৰু ইটালীৰো মূল ভূখণ্ডৰ কিছু অংশ দখল কৰে। প্ৰশান্ত মহাসাগৰীয় অঞ্চলতো পৰাজিত হৈ অক্ষ শক্তিয়ে কৌশলগতভাবে সকলো ফ্ৰণ্টৰ পৰা পিছুৱাই আহে। ১৯৪৪ চনত মিত্ৰ পক্ষই জাৰ্মানীয়ে দখল কৰি ৰখা ফ্ৰান্সৰ অংশ পুনৰুদ্ধাৰ কৰে আৰু ছোভিয়েট ইউনিয়নেও নিজৰ ভূখণ্ড উদ্ধাৰ কৰি জাৰ্মানী আৰু তেওঁলোকৰ মিত্ৰসকলৰ সমুখীন হয়। ১৯৪৪ আৰু ১৯৪৫ চনত জাপানে মিত্ৰ পক্ষৰ হাতত পৰাজিত হৈ এছিয়াৰ মূল ভূখণ্ডত থকা তেওঁলোকৰ অঞ্চলসমূহ হেৰুৱায়। মিত্ৰ শক্তিয়ে জাপানৰ নৌবাহিনীৰ বিস্তৰ ক্ষতি সাধন কৰে আৰু জাপানৰ হাতৰ পৰা পশ্চিম প্ৰশান্তসাগৰীয় দ্বীপ কেইটামান দখল কৰে। জাৰ্মান-অধিকৃত অঞ্চলসমূহ পুনৰুদ্ধাৰ কৰাৰ পাছত আৰু মিত্ৰ পক্ষ আৰু ছোভিয়েট ইউনিয়নে জাৰ্মানী অধিকাৰ কৰাৰ পাছত ইউৰোপত যুদ্ধসমূহ প্ৰায় শেষ হয়। ছোভিয়েট বাহিনীৰ পৰাক্ৰমত বাৰ্লিনৰ পতন হোৱাৰ পাছত হিটলাৰে আত্মহত্যা কৰে আৰু ১৯৪৫ চনৰ ৮ মে'ত জাৰ্মানীয়ে আত্মসমৰ্পণ কৰে। ১৯৪৫ চনৰ ২৬ জুলাইত মিত্ৰ পক্ষই পটছডাম ঘোষণাপত্ৰ প্ৰকাশ কৰি এছিয়াৰ শক্তি জাপানকো আত্মসমৰ্পণ কৰিবলৈ আহ্বান জনায়। কিন্তু জাপানে সেই ঘোষণাপত্ৰৰ চৰ্ত অনুসৰি আত্মসমৰ্পণ কৰিবলৈ মান্তি নহ'ল। জাপানক বাধ্য কৰিবলৈ আমেৰিকা যুক্তৰাষ্ট্ৰই ১৯৪৫ চনৰ ৬ আগষ্টত হিৰোচিমা আৰু ৯ আগষ্টত নাগাছাকিত পাৰমাণৱিক বোমাৰে আক্ৰমণ কৰি বিশ্বই আগতে প্ৰত্যক্ষ নকৰা বিৰাট ধ্বংসযজ্ঞৰ সূচনা কৰে। সকলো ফালৰ পৰা দুৰ্বল হৈ আৰু অধিক পাৰমাণৱিক বোমা বিস্ফোৰণৰ ভয়ত আতংকিত হৈ ১৪ আগষ্টত জাপানে আত্মসমৰ্পণৰ ইচ্ছাৰ কথা ঘোষণা কৰে আৰু সেইদিনাই প্ৰকৃতাৰ্থত বিশ্ব যুদ্ধৰ সমাপ্তি ঘটে। অৱশ্যে ১৯৪৫ চনৰ ২ ছেপ্টেম্বৰতহে জাপানে আত্মসমৰ্পণৰ চুক্তিত স্বাক্ষৰ কৰে।

## দ্বিতীয় মহাযুদ্ধৰ পৰৱৰ্তী পৰ্য্যায়

দ্বিতীয় মহাযুদ্ধই বিশ্বৰ ৰাজনৈতিক আৰু সামাজিক গাঁথনি সলনি কৰি পেলায়। প্ৰথম বিশ্ব যুদ্ধৰ পাছত গঠন কৰা জাতি সংঘ অপ্ৰাসংগিক হৈ পৰাত ভৱিষ্যতে বিশ্ব যুদ্ধৰ পৰিস্থিতি ৰোধ কৰিবলৈ শক্তিশালী ৰূপত আন এক আন্তৰ্জাতিক সংগঠন ৰাষ্ট্ৰসংঘ (United Nations) গঠন কৰা হয় আৰু দ্বিতীয় বিশ্বযুদ্ধৰ বিজয়ী পাঁচখন শক্তিশালী ৰাষ্ট্ৰ চীন, ফ্ৰান্স, ছোভিয়েট ইউনিয়ন, ব্ৰিটেইন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ তাৰ নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য হয়। তাৰে ভিতৰত ছোভিয়েট ইউনিয়ন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ প্ৰতিদ্বন্দ্বী অতিশক্তিত (Super Power) পৰিণত হয় আৰু ফলত দুই দেশৰ মাজত পাছৰ প্ৰায় আধা শতিকা জুৰি 'শীতল যুদ্ধ' নামেৰে সংঘাত চলি থাকে। দ্বিতীয় বিশ্ব যুদ্ধৰ পাছত ঔপনিৱেশিক ধাৰণাৰ পৰিবৰ্তন ঘটিল আৰু আফ্ৰিকা আৰু এছিয়াত বৃহৎ শক্তিবোৰে উপনিৱেশ স্থাপন কৰা দেশবোৰৰ প্ৰায়বোৰে স্বাধীনতা লাভ কৰিবলৈ সক্ষম হ'ল।

দ্বিতীয় বিশ্বযুদ্ধৰ পাছতে সমগ্ৰ ইউৰোপ দুটা স্পষ্ট ভাগত ভাগ হৈ যায়। তাৰে এক অংশ হয় পশ্চিম ইউৰোপ আৰু আন অংশৰ অন্তৰ্ভুক্ত আছিল ছোভিয়েট ইউনিয়ন। অৱশ্যে পাছত এই ছোভিয়েট ইউনিয়ন ভংগ হৈ যায় আৰু কেবাখনো সৰু সৰু ৰাষ্ট্ৰৰ জন্ম হয়। পশ্চিম ইউৰোপৰ দেশসমূহে নাটো (NATO–North Atlantic Treaty Organisation) নামেৰে এক সংস্থা গঠন কৰে। এইদৰেই দ্বিতীয় বিশ্ব যুদ্ধই দেশসমূহৰ ৰাজনৈতিক, সামাজিক আৰু সামৰিক পৰিবৰ্তন ঘটায়। ❖

# প্ৰজ্ঞাৰ সাধক হোমেন বৰগোহাঞি

■ কুশল গোস্বামী



বিশিষ্ট সাহিত্যিক তথা সাংবাদিক হোমেন বৰগোহাঞিৰ যোৱা ১২ মে' তাৰিখে ৮৯ বছৰ বয়সত ক'ভিড-১৯ ৰোগত আক্ৰান্ত হৈ দেহাৰসান ঘটে। ১৯৩২ চনত লখিমপুৰ জিলাৰ ঢকুৱাখনাত জন্মলাভ কৰা বৰগোহাঞিয়ে কটন মহাবিদ্যালয়ৰ পৰা শিক্ষা সম্পূৰ্ণ কৰাৰ পাছত ১৯৫৫ চনত অসম অসামৰিক সেৱাৰ (এ. চি. এছ.) বিষয়া হিচাপে যোগদান কৰি কৰ্মজীৱনৰ পাতনি মেলে। কিন্তু স্বাধীনচিতীয়া তথা জ্ঞানপিপাসু বৰগোহাঞিয়ে এনেকুৱা লোভনীয় চৰকাৰী চাকৰিৰ পৰা ইস্তফা দি ১৯৬৮ চনত 'নীলাচল' নামৰ সাপ্তাহিক বাতৰি কাকতখনৰ প্ৰতিষ্ঠাপক সম্পাদক হিচাপে সাংবাদিকতাৰে নতুন কৰ্মজীৱন আৰম্ভ কৰে। বৰগোহাঞিৰ এই আগমনে অসমৰ সাংবাদিকতা জগতখনক এক নতুন মাত্ৰা প্ৰদান কৰে। সাংবাদিকতা জগতখনত বিপুল জনপ্ৰিয়তা অৰ্জন কৰা বৰগোহাঞিয়ে কিছু বছৰৰ বাবে সাপ্তাহিক 'নাগৰিক' আৰু 'লোকায়ত' নামৰ কাকত দুখন সম্পাদনা কৰাৰ লগতে কলকতাৰ জনপ্ৰিয় 'আজকাল' নামৰ বাংলা ভাষাৰ দৈনিক কাকতখনৰ বিশেষ সংবাদদাতা হিচাপেও কাৰ্য্যনিৰ্বাহ কৰিছিল। ১৯৯৩ চনত 'সাপ্তাহিক অসমবাণী'ৰ সম্পাদক হিচাপে দায়িত্ব লোৱাৰ পাছত ১৯৯৭ চনত 'আমাৰ অসম' দৈনিক বাতৰি কাকতখনৰ সম্পাদক হিচাপে যোগদান কৰে। 'সাতসৰী', 'সমকাল', 'সূত্ৰধাৰ', 'কিশোৰ' আদি আলোচনীৰ সম্পাদক হিচাপে সেৱা আগবঢ়োৱা বৰগোহাঞিয়ে দেহাৰসানৰ সময়লৈকে 'নিয়মীয়া বাৰ্তা' কাকতৰ মুখ্য সম্পাদক হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল।

অসমীয়া গদ্য সাহিত্যক এক অনুপম প্ৰকাশশৈলীৰে সুকীয়া মাত্ৰা প্ৰদান কৰা যশস্বী সাহিত্যিক বৰগোহাঞিয়ে ১৩ খন উপন্যাসকে ধৰি ৬৭ খন গ্ৰন্থৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে।

বৰগোহাঞিয়ে সাহিত্য কৰ্মৰ স্বীকৃতি হিচাপে 'পিতা-পুত্ৰ' গ্ৰন্থখনৰ বাবে ১৯৭৮ চনত সাহিত্য অকাডেমি বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। তদুপৰি তেওঁ ৰাজ্যখনৰ শ্ৰেষ্ঠ বঁটা শ্ৰীমন্ত শংকৰদেৱ বঁটাৰ উপৰি অসম প্ৰকাশন পৰিষদ বঁটা, অসম উপত্যকা সাহিত্য বঁটা ইত্যাদি বিভিন্ন বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল।

২০০১ বৰ্ষত অসম সাহিত্য সভাৰ সভাপতিৰ পদ অলংকৃত কৰা বৰগোহাঞিৰ 'হালধীয়া চৰায়ে বাও ধান খায়' নামৰ উপন্যাসখনৰ আধাৰত জাহ্নু বৰুৱাই একে নামেৰে পৰিচালনা কৰা অসমীয়া কথাছবিখনে ১৯৮৮ চনত প্ৰথমবাৰৰ বাবে শ্ৰেষ্ঠ চলচ্চিত্ৰৰ ৰাষ্ট্ৰীয় পুৰস্কাৰ (স্বৰ্ণ কমল) লাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছিল।

মানৱতাবাদী তথা বৈজ্ঞানিক মানসিকতাৰ এজন নিৰপেক্ষ আৰু দুৰন্ত যোদ্ধা বৰগোহাঞিয়ে 'কৰুণাধাৰা' নামৰ সামাজিক ন্যাসটোৰ লগতো ঘনিষ্ঠভাৱে জড়িত হৈ বিপদগ্ৰস্ত তথা দুৰ্গত জনসাধাৰণক সহায়ৰ হাত আগবঢ়াই আহিছিল। মৃত্যুৰ সময়ত তেওঁ সাহিত্যিক পত্নী নিৰুপমা বৰগোহাঞি, দুজন পুত্ৰ আৰু অগণন গুণমুগ্ধক এৰি থৈ যায়। নৱগ্ৰহ শ্মশানত ৰাষ্ট্ৰীয় মৰ্য্যাদাৰে তেওঁৰ সৎকাৰ কৰা হয়।

## হোমেন বৰগোহাঞিৰ সাহিত্য কৰ্ম

**গল্প সংকলন :** বিভিন্ন কোৰাচ (১৯৫৭), প্ৰেম আৰু মৃত্যুৰ কাৰণে (১৯৫৮), স্বপ্ন স্মৃতি বিষাদ (১৯৬৭), গল্প আৰু নক্সা (১৯৬৬), অস্তিত্বৰ জ্যোতিৰ্ময় চেতনা (সম্পাদনা : তীৰ্থ ফুকন)।

**উপন্যাস :** সুবালা (১৯৬৩), তান্ত্ৰিক (১৯৬৭), কুশীলৱ (১৯৭০), পুৱাৰ পূৰবী নিশাৰ বিভাস (১৯৭১, নিৰুপমা বৰগোহাঞিৰ সৈতে যুটীয়াভাৱে লিখা) হালধীয়া চৰায়ে বাওধান খায় (১৯৭৩), পিতা-পুত্ৰ (১৯৭৫), তিমিৰ তীৰ্থ (১৯৭৫), অস্তৰাগ (১৯৮৬), মৎস্যগন্ধা (১৯৮৭), সাউদৰ পুতেকে নাও মেলি যায় (১৯৮৭), নিসংগতা (২০০০), বিষণ্ণতা (২০০২), এদিনৰ ডায়েৰী (২০০৩)।

**কবিতা সংকলন :** হৈমন্তী (১৯৮৭)।

**প্ৰবন্ধ সংকলন :** বিভিন্ন নৰক (১৯৮৬), ধূসৰ দিগন্ত (১৯৭০), হৃদয়ৰ মানচিত্ৰ (১৯৭৯), অসমৰ চাহ উদ্যোগৰ অকথিত কাহিনী (১৯৮০), কলগাৰ্ল (১৯৮১), ইতিহাসৰ সাক্ষী (১৯৮৮), সপ্তম দশক (১৯৮৯), সুখ আৰু দুখ (১৯৯২), পাঠকৰ টোকাবহী (১৯৯৩), প্ৰজ্ঞাৰ সাধনা (১৯৯৪), জীৱনৰ সাধনা (১৯৯৪), গদ্যৰ সাধনা (১৯৯৫), স্বৰ্গ আৰু নৰক (১৯৯৫), আত্মদীপো ভৱ (১৯৯৬), কথা-বাৰ্তা (১৯৯৯), উচ্চাকাংক্ষা (১৯৯৯), বিচিত্ৰ অভিজ্ঞতা আৰু অনুভূতি (২০০০), জীৱনৰ পৰা আমি কি বিচাৰোঁ (২০০১), আশীৰ দশকৰ দস্তাবেজ (২০০১), বিপদৰ বন্ধু (২০০৩), জীৱন জিজ্ঞাসা (২০০৩, গীতিমালিকা নেওগৰ সৈতে যুটীয়াভাৱে), জীৱনৰ উপহাৰ (২০০৪, গীতিমালিকা নেওগৰ সৈতে যুটীয়াভাৱে), কথাৰ মূৰত কথা (২০০৫), চিন্তা-তৰংগ (২০০৬), জিজ্ঞাসা (২০০৬), হৃদয়ৰ সংবাদ (২০০৭), কাম কৰাৰ আনন্দ (২০০৭), মই যেতিয়া ক্লান্ত হওঁ (২০০৭), জীৱনৰ মধুৰতম সময় (২০০৮), স্বাস্থ্য ৰক্ষাৰ সহজ নিয়ম (২০০৮), আনন্দ আৰু বেদনাৰ সন্ধানত (২০০৮), ৰহস্যময় বিষাদ আৰু যন্ত্ৰণা (২০০৯), মোৰ যৌৱনৰ ৰামধেনু (২০০৯), অসম্ভৱক সম্ভৱ কৰাৰ সাধনা, মোৰ জীৱনত ঈশ্বৰ, সৰল জীৱন সুখী জীৱন।

**আত্মজীৱনীমূলক গ্ৰন্থ :** আত্মানুসন্ধান (১৯৮৮), মোৰ সংবাদিক জীৱন (১৯৮৯), ধুমুহা আৰু ৰামধেনু (প্ৰথম খণ্ড-১৯৯৭, দ্বিতীয় খণ্ড-১৯৯৮), মোৰ হৃদয় এখন যুদ্ধক্ষেত্ৰ (২০০৬)।

**সম্পাদনা গ্ৰন্থ :** বিংশ শতাব্দীৰ অসমীয়া সাহিত্য (১৯৬৭), ৰৌদ্ৰ নীলিমা (১৯৬৯, নন্দ তালুকদাৰৰ সৈতে যুটীয়াভাৱে), অসমীয়া গল্প সংকলন (প্ৰথম খণ্ড-১৯৭৫, দ্বিতীয় খণ্ড-১৯৭৬, তৃতীয় খণ্ড-২০০৫), মালিক (১৯৮৯), অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড-১৯৯৩), গদ্যৰ সাধনা (১৯৯৪), বিংশ শতাব্দীৰ সন্ধানত (১৯৯৪), অসমীয়া প্ৰেমৰ কবিতা (২০০২, কৰবী ডেকা হাজৰিকাৰ লগত যুটীয়াভাৱে), শৰৎ চন্দ্ৰ সিংহ (২০০৫), শ্ৰেষ্ঠ নিৰ্বাচিত অসমীয়া প্ৰবন্ধ (প্ৰথম খণ্ড-২০০৩, দ্বিতীয় খণ্ড-২০০৬), ৰামধেনু (নিৰ্বাচিত সংকলন, গীতিমালিকা নেওগ-অনমিত্ৰ গগৈৰ সৈতে, ২০০৯), নীলাচলৰ পাতত হোমেন বৰগোহাঞিৰ মুখামুখি সাক্ষাৎকাৰ (ড° ৰঞ্জিত সভাপণ্ডিতৰ সৈতে, ২০১০), জয়ন্তী (পৰমানন্দ মজুমদাৰৰ সৈতে, ২০১১), জীৱনৰ পৰা মই কি শিকিলোঁ (জীনামণি ফুকনৰ সৈতে, ২০১৩), সোণাৰাম চুতীয়া ঃ এজন অসাধাৰণ সাধাৰণ মানুহ (ড° জয়ন্তী চুতীয়াৰ সৈতে), ভাৰতীয় আৰু ইউৰোপীয় চিন্তাত মৃত্যু (গীতিমালিকা নেওগ-অমল দাসৰ সৈতে, (২০১৪), মোৰ জীৱনত সৰ্বাধিক প্ৰভাৱ পেলোৱা ঃ মানুহ আৰু কিতাপ, মোৰ জীৱন দৰ্শন।

**শিশু আৰু কিশোৰৰ বাবে গ্ৰন্থ :** আধুনিক যুগৰ জন্ম কাহিনী (১৯৮৯), অ, আ, ক, খ (১৯৯২), কিতাপ পঢ়াৰ আনন্দ (১৯৯১), আমাক কিতাপ লাগে (১৯৯৩), মানুহ হোৱাৰ গৌৰৱ (১৯৯৪), মোৰ প্ৰিয় মানুহ চক্ৰেটিছ (১৯৯৪), অন্তহীন বেদনাৰ উৎস—লুই পেষ্টিঅ'ৰ (১৯৯৪), পোহৰৰ সাধনা (১৯৯৮), বেঞ্জামিন ফ্ৰেংকলিন (১৯৯৬), ডাৰউইন (২০০৪), কিশোৰ সাৰথি (২০১০)।

**ৰচনা সমগ্ৰ :** চাৰিটা দশকৰ ফচল ঃ প্ৰবন্ধ সমগ্ৰ (১৯৯৭), উপন্যাস সমগ্ৰ-১ (১৯৯৭), উপন্যাস সমগ্ৰ-২ (১৯৯৭), জীৱন—সুন্দৰ আৰু ভয়ংকৰ ঃ মোৰ জীৱনৰ বিচিত্ৰ কাহিনী (২০১৩), জীৱনৰ জয়গান আৰু এশখন অন্যান্য ৰচনা (২০১৩), অবিস্মৰণীয় ঃ মানুহ, ঘটনা আৰু অভিজ্ঞতা (২০১৪)।

**অনুবাদ গ্ৰন্থ :** মোৰ প্ৰিয় পাঁচটা জাৰ্মান গল্প (১৯৯৯)। ❖

## বিধানসভা নিৰ্বাচন : ২০২১

যোৱা মাৰ্চ আৰু এপ্ৰিল মাহত ৪ খন ৰাজ্য আৰু এখন কেন্দ্ৰীয় শাসিত অঞ্চলত অনুষ্ঠিত হোৱা ৰাজ্য বিধানসভাৰ নিৰ্বাচনৰ ফলাফল ২ মে' তৰিখে ঘোষণা কৰা হয়। এই ঘোষিত ফলাফল অনুসৰি অসমত শাসনাধিষ্ঠ বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটে ১২৬ জনীয়া বিধানসভাৰ মুঠ ৭৫ খন আসন দখল কৰি একেৰাহে দ্বিতীয়বাৰৰ বাবে অসমত শাসন ক্ষমতা হস্তগত কৰে। মিত্ৰজোঁটৰ বিজেপি দলে ৬০ খন আসন পোৱাৰ বিপৰীতে অংশীদাৰ দল অগপই ৯ খন আৰু ইউ পি পি এলে ৬ খন আসন লাভ কৰে। তদুপৰি বিৰোধী পক্ষৰ মহাজোঁটৰ ভাৰতীয় জাতীয় কংগ্ৰেছে ২৯ খন আসন লাভ কৰাৰ বিপৰীতে অংশীদাৰ দল এ আই ইউ ডি এফে ১৬ খন আৰু বি পি এফে ৪ খন আসন লাভ কৰে। নৱগঠিত ৰাইজৰ দলে এখন আসন দখল কৰাৰ লগতে মহাজোঁটৰ অংশদীৰ চি পি এমে এখন আসন লাভ কৰে। ৰাইজৰ দলৰ সভাপতি তথা কৃষক নেতা অখিল গগৈয়ে কাৰাগাৰৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰি শিৱসাগৰ বিধানসভা সমষ্টিৰ পৰা বিধানসভালৈ প্ৰথমবাৰৰ বাবে নিৰ্বাচিত হয়।

অসমৰ চাৰিটা কাৰ্য্যকালত মন্ত্ৰীৰূপে সেৱা আগবঢ়োৱা তথা সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন চৰকাৰৰ বিত্ত, শিক্ষা, স্বাস্থ্য, গড়কাপ্তানি আদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ১০ মে' তাৰিখে ৰাজ্যখনৰ পঞ্চদশ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ লগতে আন ১৩ গৰাকী মন্ত্ৰীকো শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানত ৰাজ্যপাল অধ্যাপক জগদীশ মুখীয়ে পদ আৰু গোপনীয়তাৰ শপত বাক্য পাঠ কৰোৱায়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ১১ মে'ত সতীৰ্থ মন্ত্ৰীসকলক দপ্তৰসমূহ আৱণ্টন কৰে। পঞ্চদশ বিধানসভাৰ অধ্যক্ষ হিচাপে বিশ্বজিৎ দৈমাৰী বিনাপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়।

তদুপৰি ২৯৪ জনীয়া পশ্চিমবংগ বিধানসভা নিৰ্বাচনত শাসকীয় তৃণমূল কংগ্ৰেছে (টিএমচি) ২১৩ খন আসন লাভ কৰে আৰু মমতা বেনাৰ্জীয়ে একেৰাহে তৃতীয়বাৰৰ বাবে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ

**ঠোৰতে দপ্তৰসহ অসম মন্ত্ৰীসভাখন :**

| | | |
|---|---|---|
| ১. | ড° হিমন্ত বিশ্ব শৰ্মা | মুখ্যমন্ত্ৰী, গৃহ, কৰ্মচাৰী বিভাগ, লোকনিৰ্মাণ বিভাগ আৰু বিতৰণ নকৰা বিভাগসমূহ |
| ২. | অজন্তা নেওগ | বিত্ত আৰু সমাজ কল্যাণ। |
| ৩. | ডাঃ ৰণোজ পেগু | শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ উন্নয়ন (বিটিচিৰ বাহিৰৰ) |
| ৪. | কেশৱ মহন্ত | স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, বিজ্ঞান প্ৰযুক্তি বিদ্যা, তথ্য প্ৰযুক্তি। |
| ৫. | অতুল বৰা | কৃষি, উদ্যান শস্য, পশুপালন, সীমান্ত অঞ্চল উন্নয়ন, অসম চুক্তি ৰূপায়ণ। |
| ৬. | অশোক সিংঘাল | গুৱাহাটী উন্নয়ন, নগৰ উন্নয়ন আৰু জলসিঞ্চন। |
| ৭. | চন্দ্ৰমোহন পাটোৱাৰী | পৰিবহণ, উদ্যোগ-বাণিজ্য, দক্ষতা বিকাশ, সংখ্যালঘু উন্নয়ন |
| ৮. | পৰিমল শুক্লবৈদ্য | বন আৰু পৰিৱেশ, আবকাৰী, মীন। |
| ৯. | পীযুষ হাজৰিকা | জলসম্পদ, তথ্য আৰু জনসংযোগ, সংসদীয় পৰিক্ৰমা। |
| ১০. | যোগেন মহন | ৰাজহ, দুৰ্য্যোগ প্ৰশমন, পাৰ্বত্য অঞ্চল উন্নয়ন, খনি আৰু খনিজ সম্পদ। |
| ১১. | ৰঞ্জিৎ কুমাৰ দাস | খাদ্য আৰু অসামৰিক যোগান, জনস্বাস্থ্য কাৰিকৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, গ্ৰাহক পৰিক্ৰমা। |
| ১২. | বিমল বৰা | ক্ৰীড়া আৰু যুৱ কল্যাণ, সাংস্কৃতিক পৰিক্ৰমা, শক্তি আৰু পৰ্যটন। |
| ১৩. | সঞ্জয় কিষাণ | শ্ৰম, নিয়োগ, চাহ জনজাতি উন্নয়ন। |
| ১৪. | উৰ্খাও গৌৰা ব্ৰহ্ম | ভৈয়াম জনজাতি উন্নয়ন, হস্ততাঁত আৰু বস্ত্ৰশিল্প, ভূমি সংৰক্ষণ। |

কৰে। ২৩৪ জনীয়া তামিলনাডু বিধানসভাত বিৰোধী পক্ষৰ ডি এম কে মিত্ৰজোঁটে ১৫৯ খন আসন দখল কৰি দহ বছৰৰ বিৰতিৰ মূৰত শাসনভাৰ হস্তগত কৰে আৰু ডিএমকেৰ নেতা এম কে ষ্টেলিনে ৰাজ্যখনৰ দ্বাদশতম মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। আনহাতে ১৪০ জনীয়া কেৰালা বিধানসভা নিৰ্বাচনত চি পি এম দলে ৯৯ খন আসন দখল কৰে আৰু পিনাৰায়ী বিজয়ন একেৰাহে দ্বিতীয়বাৰৰ বাবে ৰাজ্যখনৰ মুখ্যমন্ত্ৰীৰূপে অধিষ্ঠিত হয়। তদুপৰি ৩০ জনীয়া পুডুচেৰী বিধানসভা নিৰ্বাচনত বিৰোধী পক্ষই (এ আই এন আৰ চি আৰু বিজেপি) শাসন ক্ষমতা হস্তগত কৰে আৰু এন ৰঙ্গস্বামীয়ে মুখ্য মন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে।

## মধ্যপ্ৰাচ্যত ইজৰাইল–পেলেষ্টাইনৰ যুদ্ধ



যোৱা ৬ মে’ তাৰিখৰ পৰা মধ্যপ্ৰাচ্যৰ ইজৰাইল আৰু পেলেষ্টাইনৰ মাজত নেৰানেপেৰা যুদ্ধৰ সূচনা হয়। পেলেষ্টাইনৰ বৃহৎ চহৰ গাজাৰ পৰা পেলেষ্টাইনী পৰিয়ালক উচ্ছেদৰ বাবে আদালতে দিয়া ৰায়ৰ পৰা সূচনা হোৱা সংঘাতে তুমুল যুদ্ধৰ ৰূপ ধাৰণ কৰে। এই উচ্ছেদৰ ৰায়ৰ তীব্ৰ প্ৰতিবাদ কৰি পেলেষ্টাইনৰ উগ্ৰপন্থী সংগঠন হামাচে (হৰকত-অল-মুকাৱামত-অল-ইছলামিয়া) ইজৰাইলত প্ৰায় ৩৫০টা ৰকেট নিক্ষেপ কৰি তীব্ৰ আঘাত হানে। অকল ১০ মে’ তাৰিখে হামাচে ২০০টা ৰকেটেৰে আক্ৰমণ কৰাৰ প্ৰত্যুত্তৰ স্বৰূপে ইজৰাইলে গাজা ষ্ট্ৰিপত শক্তিশালী বোমা নিক্ষেপ কৰে। এই বোমা আক্ৰমণত গাজাত ১৩০ জন উগ্ৰপন্থী তথা ৬১ জন শিশুকে ধৰি প্ৰায় ৩০০ লোকৰ মৃত্যু হয় আৰু ৪৫০টা অট্টালিকা ধ্বংসস্তূপত পৰিণত হয়। পেলেষ্টাইনত তিনি লাখ লোক গৃহহীন হোৱাৰ পিছত ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতা ন্যহুৱে প্ৰত্যাক্ৰমণ অব্যাহত থাকিব বুলি ঘোষণা কৰিছে।

উল্লেখযোগ্য যে ২০০৭ চনৰ পৰা গাজা ষ্ট্ৰিপ হামাচৰ দখলত আছে আৰু পেলেষ্টাইনে তাত ইজৰাইলী নিয়ন্ত্ৰণৰ তীব্ৰ প্ৰতিবাদ কৰি আহিছে। ১৯৪৭ চনত ৰাষ্ট্ৰসংঘই (ইউ এন অ’) ইহুদী বসতি প্ৰধান অঞ্চলক লৈ ইজৰাইল আৰু আৰবী বসতি প্ৰধান অঞ্চলক লৈ পেলেষ্টাইন নামেৰে দুখন সুকীয়া দেশৰূপে বিভাজন কৰি দিছিল। ইতিমধ্যে ইজৰাইলক বিশ্বৰ ১৬৪ খন দেশে স্বাধীন সাৰ্বভৌম ৰাষ্ট্ৰ বুলি স্বীকৃতি দিয়াৰ বিপৰীতে পেলেষ্টাইনক ১৩৮ খন দেশে এই স্বীকৃতি প্ৰদান কৰিছে। প্ৰায় ৬০ লাখ জনসংখ্যা তথা প্ৰায় ৭০০০ বৰ্গকিমি. মাটিকালিৰ দেশ পেলেষ্টাইনে ন’বেল বঁটা বিজয়ী য়াছেৰ আৰাফটৰ নেতৃত্বত চলোৱা শান্তিপূৰ্ণ সংগ্ৰাম প্ৰায় ব্যৰ্থ হোৱাত ১৯৮৭ চনত হামাচৰ জন্ম হয় আৰু ১৯৮৯ চনৰ পৰা এই যুদ্ধ অথবা সংঘাত অব্যাহত থাকে। ৰাষ্ট্ৰসংঘৰ উপৰি দক্ষিণ কোৰিয়া, ইণ্ডোনেছিয়া, আমেৰিকা যুক্তৰাষ্ট্ৰ আদি দেশে যুদ্ধ বন্ধ কৰি শান্তিপূৰ্ণ উপায়েৰে সংঘাত প্ৰশমন কৰিবৰ কাৰণে দুয়োপক্ষক আহ্বান জনাইছে।

## অসম চৰকাৰৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত

যোৱা ১৯ মে’ তাৰিখে নৱগঠিত অসম মন্ত্ৰীসভাৰ অনুষ্ঠিত বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। অসম মন্ত্ৰীসভাই (চৰকাৰ) ৰাজ্যখনৰ বড়ো এলেকা পৰিষদ (বিটিচি), কাৰ্বি আংলং স্বায়ত্ত-শাসিত জিলা পৰিষদ আৰু ডিমা হাচাও স্বায়ত্ত-শাসিত জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী সদস্যকেইজনক (চিইএম) কেবিনেট মন্ত্ৰীৰ মৰ্য্যাদা দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। বিগত সময়ছোৱাত মুখ্য কাৰ্য্যবাহী সদস্যকেইজনে (চিইএম) ৰাজ্যিক মন্ত্ৰীৰ পদমৰ্য্যাদাহে ভোগ কৰি আছিল। এতিয়াৰে পৰা তেওঁলোকে এগৰাকী কেবিনেট মন্ত্ৰীয়ে লাভ কৰা বিশেষাধিকাৰ আৰু সা-সুবিধা লাভ কৰিব। তদুপৰি মন্ত্ৰীসভাই সৰ্বসন্মতিক্ৰমে জ্যেষ্ঠ অধিবক্তা দেবজিৎ শইকীয়াক ৰাজ্যখনৰ পৰৱৰ্তী মহাধিবক্তা (এডভোকেট জেনেৰেল) হিচাপে নিযুক্তি দিয়ে। ১৯৯৭ চনত গুৱাহাটী উচ্চ ন্যায়ালয়ত অধিবক্তা হিচাপে কৰ্মজীৱন আৰম্ভ কৰা শইকীয়া ২০০৯ চনত মেঘালয় চৰকাৰৰ অতিৰিক্ত

মহাধিবক্তা হিচাপে নিযুক্ত হৈছিল। ২০১১ চনৰ পৰা ২০১৪ চনলৈ অসমৰ অতিৰিক্ত মহাধিবক্তা হিচাপে কাৰ্য্যনিৰ্বাহ কৰা শইকীয়া বৰ্তমান অসম ক্ৰিকেট সন্থাৰ (এচিএ) সম্পাদক হিচাপেও কৰ্মৰত হৈ আছে।

## বিশিষ্ট পৰিৱেশ কৰ্মী তথা গান্ধীবাদী নেতা সুন্দৰলাল বহুগুণাৰ দেহাৱসান

বিশিষ্ট পৰিৱেশ কৰ্মী তথা গান্ধীবাদী নেতা



সুন্দৰলাল বহুগুণাৰ যোৱা ২১ মে' তাৰিখে ৯৪ বছৰ বয়সত ক'ভিড-১৯ ৰোগত আক্ৰান্ত হৈ দেহাৱসান হয়। ৭০ৰ দশকত তেওঁ গৌৰা দেৱী, মেধা পাটকাৰ আদিৰ সহযোগত বিখ্যাত 'চিপকো আন্দোলন' (Chipko Movement) আৰম্ভ কৰি পৰিৱেশ সংৰক্ষণৰ বাবে দেশজুৰি জনমত গঠন কৰে। তেওঁ ১৯৮০ চনত 'তেহৰী বান্ধ' (Tehri dam) বিৰোধী আন্দোলনৰ জৰিয়তে বৃহৎ নদীবান্ধৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। ১৯২৭ চনৰ ৯ জানুৱাৰীত তেহৰী জিলাত জন্মগ্ৰহণ কৰা তথা 'হিমালয়ৰ প্ৰহৰী' (গাৰ্ড অৱ হিমালয়াচ্) বুলি পৰিচিত বহুগুণাই তেহৰী বান্ধৰ বাবে আনকি নিজৰ পৈতৃক বাসস্থানো হেৰুৱাবলগা হৈছিল। পৰিৱেশ সংৰক্ষণৰ বাবে অতি দৃঢ় তথা আপোচহীন বহুগুণাই একেৰাহে ৮৪ দিন আমৰণ অনশন কৰি হাজাৰ হাজাৰ গৃহহীন পৰিয়ালৰ হকে প্ৰতিবাদ সাব্যস্ত কৰিছিল। বিশিষ্ট পৰিৱেশবিদগৰাকীৰ দ্বাৰা ৰচিত কেইখনমান উল্লেখযোগ্য গ্ৰন্থ হৈছে—ধৰতী কি পুকাৰ, ইণ্ডিয়াজ এনভাৰাইনমেণ্ট : মিথ এণ্ড ৰিয়েলিটি (Indias Environment : Myth and Reality), দ্যা ৰোড টু চাৰভাইভেল (The Road to Survival), এনভাইৰনমেণ্ট ক্ৰাইচিচ এণ্ড হিউমেন ৰিস্ক (Environment Crisis and Human Risk) ইত্যাদি।

পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত আগবঢ়োৱা তুলনাহীন অৱদানৰ বাবে বহুগুণালৈ ১৯৮১ চনত পদ্মশ্ৰী বঁটা আৰু ২০০৯ চনত পদ্মবিভূষণ বঁটা আগবঢ়োৱা হয়। ১৯৮৬ চনত জমনলাল বাজাজ বঁটা লাভ কৰা বহুগুণাক ১৯৮৯ চনত ৰুৰকী আই আই টিয়ে সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰদান কৰিছিল। ❖

■ সংগ্ৰহ : কুশল গোস্বামী

## আপুৰুগীয়া স্মৃতি



ড° বি. আৰ. আম্বেদকাৰ, পত্নী ড° সবিতা আম্বেদকাৰ আৰু তেওঁলোকৰ সহায়কাৰী।



অক্সফৰ্ড বিশ্ববিদ্যালয়ৰ দীক্ষান্ত সমাৰোহৰ পাছত কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণ (১৯৪০)।

## খবৰৰ লেছেৰি বোটলা

**(২১ এপ্ৰিল ২০২১ ৰ পৰা ২০ মে’, ২০২১লৈ)**

**২১ এপ্ৰিল :** ৰাজ্যখনৰ জনপ্ৰিয় কণ্ঠশিল্পী ভিতালী দাসৰ ক’ভিড-১৯ ৰোগত আক্ৰান্ত হৈ মৃত্যু হয়।

**২২ এপ্ৰিল :** ভাৰতে শক্তি উত্তৰণ সূচ্যাংকত বিশ্বৰ ভিতৰত ৮৭ সংখ্যক স্থান লাভ কৰে।

**২৩ এপ্ৰিল :** পোলেণ্ডত অনুষ্ঠিত বিশ্ব বক্সিং চেম্পিয়নশ্বিপত ভাৰতৰ নাওৰেম বি চানু আৰু টি চনামচা চানুয়ে স্বৰ্ণ পদক লাভ কৰে।

**২৪ এপ্ৰিল :** কেন্দ্ৰীয় চৰকাৰে চিকিৎসা সামগ্ৰীৰ সীমা শুল্ক প্ৰত্যাহাৰৰ কথা ঘোষণা কৰে।

- এন ভি ৰামানাই উচ্চতম ন্যায়ালয়ৰ ৪৮ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে শপত গ্ৰহণ কৰে।

**২৫ এপ্ৰিল :** তিনিচুকীয়া জিলা পৰিষদে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ পৰা ‘ৰাষ্ট্ৰীয় পঞ্চায়তীৰাজ বঁটা-২০২১’ গ্ৰহণ কৰে।

**২৭ এপ্ৰিল :** ‘ক’ভিড-১৯’ ৰোগৰ চিকিৎসা ব্যয়ৰ বাবে এছিয়ান ডেভেলপমেণ্ট বেংকে ভাৰতক ১১ হাজাৰ কোটি টকাৰ অনুদান প্ৰদান কৰে।

**২৮ এপ্ৰিল :** ভাৰতে পাইথন-৫ মিছাইল সফলভাৱে উৎক্ষেপণ কৰে।

- আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিখ্যাত মেহতা ফেমিলী ফাউণ্ডেচনে (MFF) গুৱাহাটী আই আই টিৰ সহযোগত ‘ডেটা ছায়েন্স’ স্কুল (School of Data Science) আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰিবলৈ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে।

**২৯ এপ্ৰিল :** বিশিষ্ট আইনজ্ঞ তথা ভাৰতৰ প্ৰাক্তন এটৰ্নী জেনেৰেল ছলি ছোৰাবজীৰ ৯১ বছৰ বয়সত দেহাৱসান হয়।

**৩০ এপ্ৰিল :** দেশৰ উচ্চতম ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰে ৰাইজৰ কণ্ঠ ৰুদ্ধ কৰিব নোৱাৰিব বুলি ৰায় প্ৰদান কৰে।

- কণ্ঠশিল্পী, সংগীত পৰিচালক ড° বিজয়লক্ষ্মী দাসৰ মৃত্যু হয়।

**১ মে’ :** ১১ সংখ্যক দাদা চাহেব ফাল্কে আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত মৃণাল ডেকাৰ চুটি ছবি ‘মঙহ দহাৰ গোন্ধ’ই বিশেষ বঁটা লাভ কৰে।

**৬ মে’ :** ৰাফেল নাডাল (পুৰুষ) আৰু নাওমি ওছাকাই ২০২১ বৰ্ষৰ ল’ৰিয়াছ বৰ্ষশ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে।

**৮ মে’ :** সুদীৰ্ঘ ৩৯ বছৰ বিৰতিৰ পিছত ৰূপসী বিমান বন্দৰ পুনৰ কাৰ্য্যক্ষম হৈ উঠে।

- ক’ভিড-১৯ ৰোগৰ নিৰাময় ব্যৱস্থা পৰিচালনা কৰিবলৈ উচ্চতম ন্যায়ালয়ে নিজাববীয়াকৈ ‘ৰাষ্ট্ৰীয় টাস্ক ফ’ৰ্চ’ গঠন কৰে।

**৯ মে’ :** ভাৰতৰ সীমা বিছলাই বিশ্ব অলিম্পিক কোৱালিফায়াৰৰ ৫০ কেজি শাখাত স্বৰ্ণ পদক অৰ্জন কৰে।

- বেলাৰুছৰ এৰিনা ছাবালেংকা মাদ্ৰিড অ’পেন টেনিছৰ মহিলাৰ ছিংগলছত চেম্পিয়ন হয়।

**১২ মে’ :** গুগলৰ আন্তঃৰাষ্ট্ৰীয় ধন লেন-দেন সেৱা আৰম্ভ হয়।

**১৩ মে’ :** আই চি চিৰ টেষ্ট ৰেংকিঙত ভাৰতে ১২১ পইণ্টেৰে শীৰ্ষস্থান দখল কৰে।

**১৪ মে’ :** কে পি শৰ্মা অলিয়ে তৃতীয়বাৰৰ বাবে নেপালৰ প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে।

**১৫ মে’ :** উৎপল বৰপূজাৰীৰ ‘শগুন’ নামৰ চুটি ছবিখনে চুটি ছবি শিতানত আৰু ‘বৰষুণ’ ছবিত কৰা অনবদ্য অভিনয়ৰ বাবে দ্বীপজ্যোতি কলিতাই শ্ৰেষ্ঠ অভিনেতাৰ শিতানত ২১ সংখ্যক নিউৰ্য়ক ইণ্ডিয়ান ফিল্ম ফেষ্টিভেললৈ মনোনীত হয়।

**১৬ মে’ :** স্পেইনৰ ৰাফেল নাডালে ইটালিয়ান অ’পেনৰ (টেনিচ) খিতাপ অৰ্জন কৰে। এয়া তেওঁৰ ৩৬ সংখ্যক বিশ্ব খিতাপ অৰ্জন।

- ৰাজ্যখনৰ বিশিষ্ট কথাছবি পৰিচালক তথা নাট্যকাৰ শম্ভু গুপ্তাৰ ৭৯ বছৰ বয়সত মৃত্যু হয়। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

# হিক্কিম : ভাৰতৰ আটাইতকৈ বেছি উচ্চতাত অৱস্থিত গাঁওখন আৰু ডাকঘৰটো

■ বনানী ডেকা




হিক্কিম হিমাচল প্রদেশৰ লাহোৱাল (Lahaual) আৰু স্পিটি (Spiti) জিলাৰ অন্তর্গত এখন গাঁও। এই গাঁওখন ভাৰতৰ আটাইতকৈ বেছি উচ্চতাত অৱস্থিত গাঁও। লাহোৱাল আৰু স্পিটি পূর্বতে দুখন বেলেগ বেলেগ জিলা আছিল। পৰৱর্তী সময়ত দুয়োখন জিলাক লগ কৰি এখন জিলা গঠন কৰা হয়। ইয়াৰ প্ৰশাসনিক কেন্দ্ৰ লাহোৱালত অৱস্থিত।

মনালী চহৰৰ পৰা হিক্কিমৰ দূৰত্ব ২১৫ কিল'মিটাৰ। এই গাঁওখন হিমালয় পর্বতৰ ৪,৪০০ মিটাৰ উচ্চতাত অৱস্থিত। ইয়াত শীতকাল দীঘলীয়া হয়। শীতকালত হিক্কিমৰ উষ্ণতা সর্বনিম্ন -১৫.৯° ছেলছিয়াছলৈ অৱনমিত হোৱা দেখা যায়।

বছৰটোৰ বেছিভাগ সময় বৰফেৰে আবৃত হৈ থকা বাবে এই গাঁওখন হিমাচল প্ৰদেশৰ বাকী অংশৰ লগত সংযোগ বিচ্ছিন্ন হৈ থাকে। হিমাচল প্ৰদেশৰ কাজা (Kaza) চহৰৰ লগত সংযোগ স্থাপনৰ বাবে হিক্কিমবাসীসকলে প্ৰায় ৪৬ কিমি. দূৰত্ব বিপদসংকুল পথেৰে অতিক্ৰম কৰিব লাগে। ইয়াৰ পৰা তেওঁলোকৰ বাকী চহৰসমূহৰ লগত যোগাযোগ স্থাপন হয়।

হিক্কিম গাঁওখনৰ জনবসতি ২০০ৰ ওচৰা-উচৰি। সৰহভাগ লোকেই বৌদ্ধ ধৰ্মাৱলম্বী লোক। ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য্য অতি মনোমোহা। এই গাঁওখনত সাধাৰণতে শিল আৰু কাঠেৰে নিৰ্মিত ঘৰ দেখা যায়। ইয়াৰ উপৰি হিক্কিম গাঁওখনৰ কিছুমান বিশেষ কথাৰ বাবে ই পৰ্য্যটকৰ বাবে আৰু অধিক আগ্ৰহৰ বিষয় হৈ পৰিছে।

ডাকঘৰ সাধাৰণতে সকলোবোৰ গাঁও বা চহৰতে থাকে। কিন্তু হিক্কিম গাঁৱত থকা ডাকঘৰটোৰ এটা বিশেষ আকর্ষণ আছে। ইয়াৰ বাবে এই ডাকঘৰটো চাবলৈ বিশ্বৰ বিভিন্ন ঠাইৰ পৰা মানুহৰ আগমন ঘটে। হিক্কিম গাঁৱত থকা এই ডাকঘৰটো বিশ্বৰ ভিতৰতেই সবাতোকৈ উচ্চস্থানত অৱস্থিত ডাকঘৰ। বিশ্বৰ বিভিন্ন স্থানৰ পৰা অহা লোকে এই ডাকঘৰটোৰ পৰা নিজৰ প্ৰিয়জনলৈ পত্ৰ প্ৰেৰণ কৰে। এনেদৰে তেওঁলোকে বিশ্বৰ সবাতোকৈ উচ্চস্থানত থকা ডাকঘৰটোৰ পৰা পত্ৰ প্ৰেৰণ কৰাৰ গৌৰৱ অনুভৱ কৰে।

হিক্কিমৰ এই ডাকঘৰটো ১৯৮৩ চনত স্থাপিত হৈছিল। ৰিনচেন চেৰিং (Rinchen Chhering) এই ডাকঘৰটোৰ ডাকোৱাল।

উল্লেখযোগ্য যে, ৰিনচেন চেৰিঙৰ ঘৰতে ১৯৮৩ চনত চৰকাৰে ডাকঘৰটো স্থাপন কৰে। সেই সময়ৰ পৰা বৰ্তমানলৈ তেৰেঁই ইয়াৰ ডাকোৱাল হৈ আছে।

হিক্কিমৰ প্ৰাকৃতিক সৌন্দৰ্য্য, ইয়াৰ অৱস্থিতি, ডাকঘৰটোকে আদি কৰি বিভিন্ন কাৰণত ই পৰ্য্যটনৰ এক অনন্য ক্ষেত্ৰ। ❖

# পিঞ্জৰ

জীৱনত সফলতা লাভ কৰা মানুহৰ কাহিনীবোৰ আমি সততে পঢ়িবলৈ পাওঁ। পঢ়া-শুনাত, খেলা-ধূলাত পাৰদৰ্শিতা দেখুওৱা শিক্ষাৰ্থীসকলে সকলোৰে প্ৰশংসা লাভ কৰে, অধিক গুৰুত্ব পায়। কিন্তু যিসকল ল'ৰা-ছোৱালীয়ে আশানুৰূপ ফল দেখুৱাব নোৱাৰে, বিভিন্ন কাৰণত বাকী লগ-সমনীয়াতকৈ পিছ পৰি ৰয়—তেওঁলোকৰ মনটো বাৰু কেনেকুৱা লাগে? আৰু তেনে ল'ৰা-ছোৱালীৰ মাক-দেউতাকৰ মনৰ পৃথিৱীখনতো বাৰু উৎসাহ-আনন্দ থাকেনে? এই কথাবোৰ আমি বৰকৈ নাভাবো যদিও এইবোৰো ভাবিলগীয়া কথা। জীমণি চৌধুৰীৰ 'পিঞ্জৰ' উপন্যাসখনত পঢ়া-শুনাত পিছপৰি থকা শিশু তথা এনে শিশুৰ পিতৃ-মাতৃৰ মনোজগতখন সুন্দৰকৈ তুলি ধৰা হৈছে। উপন্যাসখনত বিন্দুসাৰ নামৰ পঢ়াত কিছু পিছ পৰি থকা ল'ৰাটো বিদ্যালয়ত শিক্ষকৰ কঠোৰ শাস্তিৰ মুখামুখি হ'বলগীয়া হৈছে। পঢ়াত অমনোযোগিতাৰ বাবে অথবা কিতাপ বহী নিবলৈ পাহৰি যোৱাৰ দৰে সামান্য কিছুমান দোষৰ বাবে শিক্ষকে অভিভাৱকলৈ বিন্দুসাৰ সন্দৰ্ভত লিখি দিয়া অভিযোগবোৰে অভিভাৱকক ব্যথিত কৰি তুলিছে। বিন্দুসাৰৰ প্ৰতি পিতৃ-মাতৃ অধিক কঠোৰ হৈছে। বিন্দুসাৰৰ মানসিক জগতখন উপলব্ধি কৰিছে কেৱল ককাক অভিজিতেহে। তেওঁ যুক্তি সহকাৰে পুত্ৰ-বোৱাৰী ঋষি আৰু নীলাক বিন্দুসাৰৰ প্ৰতি স্নেহশীল হ'বলৈ পৰামৰ্শ দিছে যদিও তেওঁলোকে সেয়া উপলব্ধি কৰিব পৰা নাই। শেষত অভিজিতে বিন্দুৰ পিতৃ ঋষিও যে স্কুলীয়া দিনত পিছপৰা ছাত্ৰ আছিল আৰু শিক্ষকে কৰা কটু আচৰণে ঋষিৰ মাক অৰ্থাৎ তেওঁৰ পত্নী সুজাতাক মানসিকভাৱে ভাৰাক্ৰান্ত কৰিছিল সেই কথা জানিবলৈ দিছে। পিতৃৰ পৰা এই কথা জনাৰ পাছত ঋষি-নীলাই কথাবোৰ নকৈ ভাবিবলৈ আৰম্ভ কৰিছে। সকলোবোৰ কথা সহৃদয়তাৰে উপলব্ধি কৰা অভিজিতে সঠিকভাৱেই কৈছে—"সকলো শিশুৰে প্ৰতিভা সমান নহয়। মাক-দেউতাকে নিজৰ শিশুক প্ৰতিভাৰ দৌৰত প্ৰথম কৰাৰ ভীষণ প্ৰতিযোগিতাত নামি পৰে। কিন্তু সকলো শিশুৰে পৰা সমানে দৌৰাৰ ক্ষমতা আশা কৰিব নোৱাৰি। পৃথিৱীৰ সকলো মানুহেই সমানে আগবাঢ়ি যাব নোৱাৰে। তেনে হোৱা হ'লে সকলো মানুহেই লেখক,বুদ্ধিজীৱী, বিজ্ঞানী, টাটা, বিৰলা হ'লহেঁতেন..."।

বিন্দুসাৰৰ ককাক অভিজিতে উপলব্ধি কৰিছে—যেতিয়ালৈকে শিশুক বুজা বিদ্যালয় তথা শিশু-মন বুজা শিক্ষকৰ জন্ম নহয় তেতিয়ালৈকে এনে শিশুবোৰে সীমাহীন মানসিক যন্ত্ৰণাৰ মুখামুখি হৈয়েই থাকিব লাগিব। 'পিঞ্জৰ' উপন্যাসৰ মৰ্মস্পৰ্শী কাহিনীয়ে সকলো শ্ৰেণীৰ পাঠকৰে অন্তৰ স্পৰ্শ কৰি আহিছে। শিক্ষাৰ্থীসকল, তোমালোকেও নিশ্চয় কিতাপখন পঢ়ি ভাল পাবা। ❖

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

# অসমীয়া ফকৰা-যোজনা

## আইৰ সমান হ'ব কোন, নৈৰ সমান ব'ব কোন



নৈ চিৰ প্ৰবহমান। ই অবিৰাম গতিত বৈ থাকে। কেতিয়াও ৰৈ নাযায়। ঠিক সেইদৰে মাকৰ মৰমৰো তুলনা নাই। নিজৰ সন্তানক মাকে যিদৰে আদৰ-যতন লয়, মৰম কৰে, সেই মৰম সদায়ে অতুলনীয়। সকলো সন্তানেই মাকৰ কাষত নিৰাপত্তা বিচাৰি পায়, মনৰ কথাবোৰো মাকৰ আগতেই খুলি কৈ সকাহ পায়। মাকৰ মমতাৰ আগত আন সকলোবোৰ কথাই গৌণ হৈ পৰে। সেয়েহে চিৰপ্ৰবাহিত নদীৰ সোঁতৰ সৈতে মাকৰ মৰমৰ ৰিজনি দিয়া হয়।

**প্ৰায়োগিক বাক্য**—মাকক এৰি ল'ৰাটো চহৰত কোন সতে থাকিব কচোন, কথাতে কয় নহয় আইৰ সমান হ'ব কোন, নৈৰ সমান ব'ব কোন। ❖

## এপাচি শাকত এটা জালুক



খাদ্যৰ সোৱাদ বঢ়াবৰ বাবে বিভিন্ন উপকৰণ ব্যৱহাৰ কৰা হয়। এনে উপকৰণৰ যথোচিত সমাহাৰেৰে খাদ্যবিধ পুষ্টিদায়ক হৈ পৰে, মুখতো জুতি লাগে। যিমান পৰিমাণৰ খাদ্য প্ৰস্তুত কৰা হয়, সেই অনুপাতে আন উপকৰণ দিব লাগে। ইয়াৰ অন্যথা খাদ্যবিধ সোৱাদ লগা হৈ নুঠে। শাকতো সোৱাদ বঢ়াবৰ বাবে ৰান্ধনীয়ে আন উপকৰণৰ লগতে জালুক দিয়ে। কিন্তু শাকৰ পৰিমাণ চাইহে জালুক দিব লাগে। এপাচি শাকত এটা জালুক দি একো লাভ নহয়, জালুকৰ সোৱাদ অথবা কোনো গুণাগুণ লাভ নহয়। এপাচি শাকত দিবৰ বাবে বেছি পৰিমাণৰ জালুকৰ প্ৰয়োজন। এই যোজনাটোৰ জৰিয়তে চাহিদা অনুপাতে যোগান কম হ'লে যে একো লাভ নহয়,তাকেই বুজাব বিচাৰিছে।

**প্ৰায়োগিক বাক্য**—আগৰ নিচিনাকৈ গাঁওখনত ডাঙৰৰ হাক-বচন মানি চলা ল'ৰা-ছোৱালী নোহোৱা হ'ল, যিকেইটা আছে সেয়া এপাচি শাকত এটা জালুক হেন। ❖

# এণ্ট'নাইন প্ৰাচীৰ



বৃহৎ প্ৰাচীৰৰ কথা ক'লে আমাৰ মনলৈ 'চীনৰ প্ৰাচীৰ'খনৰ কথাই মনলৈ আহে। চীনৰ প্ৰাচীৰৰ সমান বিশাল নহ'লেও আৰু কিছুসংখ্যক প্ৰাচীৰ পুৰণি কালত নিৰ্মাণ কৰা হৈছিল। এণ্ট'নাইন প্ৰাচীৰ (Antonine Wall) এনে এখন প্ৰাচীৰ। এই প্ৰাচীৰখন স্কটলেণ্ডৰ মধ্যভাগত অৱস্থিত আছিল। ই দীঘলে প্ৰায় ৬৩ কিল'মিটাৰ, ৩ মিটাৰ ওখ আৰু প্ৰায় ৫ মিটাৰ বহল আছিল। এই প্ৰাচীৰখনৰ নিৰ্মাণ কাৰ্য্য আৰম্ভ হৈছিল খ্ৰিষ্টপূৰ্ব ১৪২৩ ত আৰু ইয়াৰ নিৰ্মাণ সম্পূৰ্ণ হ'বলৈ প্ৰায় ১২ বছৰ সময় লৈছিল। তেতিয়াৰ ৰোমান সম্ৰাট এণ্ট'নিয়াছ পিউছে (Antonious Pius) ৰোমান সাম্ৰাজ্যৰ উত্তৰ সীমান্তত এই প্ৰাচীৰ নিৰ্মাণ কৰোৱাইছিল। স্কটলেণ্ডৰ (এতিয়াৰ) মধ্যভাগত পথালিকৈ নিৰ্মিত প্ৰাচীৰখনে পূবে ফ'ৰ্থ (Forth) নদীৰ মোহনা আৰু পশ্চিমে ক্লাইড (Clide) নদীৰ মোহনাক সংযোগ কৰি সমস্ত ভূভাগক দুভাগত বিভক্ত কৰিছিল। দেশখনক বিদেশী শত্ৰুৰ আক্ৰমণৰ পৰা সুৰক্ষিত কৰি ৰাখিবলৈ নিৰ্মাণ কৰা এই প্ৰাচীৰৰ উত্তৰ ফালে দ খাৱৈ খন্দা হৈছিল। শিলৰ গাঁথনিৰ ওপৰত টাৰ্ফ (turf) নামৰ এবিধ বিশেষ ঘাঁহৰ সহায়ত প্ৰাচীৰখন নিৰ্মাণ কৰা হৈছিল। প্ৰাচীৰখনৰ উপৰিভাগত কাঠৰ ডাঙৰ ডাঙৰ গোঁজ মৰা হৈছিল। প্ৰাচীৰখনৰ সুৰক্ষাৰ হেতু ১৬টা দুৰ্গ নিৰ্মাণ কৰোৱা হৈছিল। এই দুৰ্গবোৰৰ মাজে মাজে আকৌ আন কিছুমান সৰু সৰু দুৰ্গও সজা হৈছিল। এই দুৰ্গবোৰত মোতায়েন কৰা সৈনিকে প্ৰাচীৰখন অহৰহ পহৰা দিছিল।

পৰৱৰ্তী সময়ত সম্ৰাটে ৰোমান সৈন্য সেই ঠাইৰ পৰা দক্ষিণে থকা হেদ্ৰিয়ানৰ (Hadrian's) প্ৰাচীৰলৈ স্থানান্তৰ কৰাত প্ৰাচীৰখন পৰিত্যক্ত হৈ পৰে। ঘাঁহ, কাঠ, শিল আদিৰে নিৰ্মাণ কৰা বাবে প্ৰাচীৰখন খুব কম সময়ৰ ভিতৰতে জহি-খহি যায়। বৰ্তমানেও কিন্তু এই প্ৰাচীৰৰ ভগ্নাৱশেষ ঠায়ে ঠায়ে দেখা যায়। ❖

# অসমৰ ফুল

**জবা** : ইংৰাজী নাম : Chinese Hibiscus, বৈজ্ঞানিক নাম : *Hibiscus rosa-sinensis* :



জবা হৈছে সপুষ্পক উদ্ভিদৰ মালভেছী পৰিয়ালৰ অন্তৰ্গত এবিধ ফুল। হালধীয়া, বগা, ৰঙা আদি বিভিন্ন ৰঙৰ জবা ফুল পোৱা যায়। এই ফুলৰ গছ প্ৰায় ৪ৰ পৰা ৬ মিটাৰ পৰ্য্যন্ত ওখ হয়। পাতৰ প্ৰান্তভাগ খাঁজ কটা, গা মসৃণ। পাতৰ গুৰিত সৰু সৰু উপপত্ৰ থাকে। অসমৰ প্ৰায়বোৰ বনাঞ্চলতেই এইবিধ ফুল পোৱা যায়। এইবিধ ফুল বনৌষধ হিচাপে অতীজৰে পৰা ব্যৱহৃত হৈ আহিছে। জবা ফুলৰ ৰসৰ পৰা কৰ্কট ৰোগৰ দৰৱ তৈয়াৰ কৰা হয়। তদুপৰি চুলি সৰা, পেট চলা, বদ হজম ইত্যাদি বিভিন্ন ৰোগ প্ৰতিৰোধৰ ক্ষেত্ৰত জবা ফুল ব্যৱহাৰ কৰা হয়। ❖

**নাৰ্জী** : ইংৰাজী নাম : Marigold, বৈজ্ঞানিক নাম : *Tagetes erecta* :



নাৰ্জী হৈছে কম্পজিতেই (Compo-sitae) পৰিয়ালৰ অন্তৰ্ভুক্ত এবিধ ফুল। নাৰ্জী ফুল সাধাৰণতে ঘৰ আৰু উদ্যানৰ সৌন্দৰ্য্য বৃদ্ধিৰ বাবে ৰোৱা হয়। এইবিধ ফুল বিভিন্ন জাতৰ আৰু ৰঙৰ হোৱা দেখা যায়। নাৰ্জি ফুল সাধাৰণতে উজ্জ্বল হালধীয়া আৰু কমলা হালধীয়া হয়। ই এবিধ সুগন্ধি ফুল। সাধাৰণতে নাৰ্জী এবিধ শীতকালত ফুলা ফুল হ'লেও আজিকালি গ্ৰীষ্ম আৰু বৰ্ষা কালতো ইয়াৰ খেতি কৰা হয়। এইবিধ ফুলো ঔষধি গুণসম্পন্ন। অৰ্শৰোগ, কটা-ছিঙা, খজুৰতি, দাঁতৰ বিষ আদি বিভিন্ন ৰোগৰ পৰা উপশম লাভ কৰিবলৈ নাৰ্জী ফুল ব্যৱহাৰ কৰা হয়। ❖

## চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## শব্দ শিকোঁ (এদিনত এটাকৈ, এমাহৰ বাবে ৩০টা শব্দ)

**বস্ত্ৰৰ নাম**

| অসমীয়া | | ইংৰাজী | অসমীয়া | | ইংৰাজী |
|---|---|---|---|---|---|
| কামিজ | — | shirt | অভাৰকোট | — | overcoat |
| উত্তৰীয় | — | cotton stole | ফ্ৰক | — | frock |
| আলোৱান | — | woolen shawl | চাদৰ | — | wrapper, *chadar* |
| অধোবস্ত্ৰ | — | underwear | কঁকালি | — | waist belt |
| পায়জামা | — | *pyjama* | পাতনি | — | head scarf |
| পাগুৰী | — | turban | শাৰী | — | *saree* |
| মাফলাৰ | — | muffler | স্কাৰ্ট | — | skirt |
| হাফপেণ্ট | — | shorts | কোট | — | coat |
| হাতমোজা | — | gloves | ব্লাউজ | — | blouse |
| মোজা | — | socks | চুৱেটাৰ | — | sweater |
| গেঞ্জী | — | vest | টুপী | — | cap, hat |
| জেকেট চোলা | — | jacket | সমৱেশ | — | uniform |
| লংপেণ্ট | — | pant/ trousers | জোতা | — | shoes |
| | | | চেণ্ডেল | — | slippers |
| | | | বুটজোতা | — | boots |
| ৰুমাল | — | handkerchief | কৌপিন | — | loincloth ❖ |

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## অসম উপত্যকা সাহিত্য বঁটা লাভ কৰা প্ৰথমগৰাকী সাহিত্যিক ড° ভবেন্দ্ৰনাথ শইকীয়া



অসম উপত্যকা সাহিত্য বঁটা হৈছে অসমীয়া সাহিত্যৰ সৰ্বোচ্চ সাহিত্য পুৰস্কাৰ। সৃজনীমূলক অসমীয়া সাহিত্যত স্মৰণীয় বৰঙণি আগবঢ়োৱা ব্যক্তিক ৰিলিয়ামচন মেগৰ শৈক্ষিক ন্যাসৰ দ্বাৰা এই বঁটা প্ৰদান কৰা হয়।

১৯৯০ চনত আৰম্ভ কৰা এই বঁটা লাভ কৰা প্ৰথমগৰাকী লেখক আছিল ড° ভবেন্দ্ৰ নাথ শইকীয়া। অসম উপত্যকা সাহিত্য বঁটাৰ লগত নগদ দুই লাখ টকা, এখন প্ৰশস্তি পত্ৰ আৰু বিশেষভাৱে নিৰ্মিত এটা ট্ৰফি দিয়া হয়। প্ৰখ্যাত অসমীয়া ভাস্কৰ আৰু চিত্ৰশিল্পী শোভা ব্ৰহ্মই ইয়াৰ আৰ্হি প্ৰস্তুত কৰিছিল। অসম উপত্যকা সাহিত্য বঁটা প্ৰথমবাৰৰ বাবে লাভ কৰা ড° ভবেন্দ্ৰনাথ শইকীয়া একাধাৰে গল্পকাৰ, ঔপন্যাসিক, নাট্যকাৰ, শিশু সাহিত্যিক, সম্পাদক তথা চলচ্চিত্ৰ পৰিচালক। তেওঁৰ কেইখনমান উল্লেখযোগ্য গ্ৰন্থ হৈছে শৃংখল, সেন্দূৰ, গহ্বৰ, অন্তৰীপ, প্ৰহৰী, বৃন্দাবন, জীৱন বৃত্ত (আত্মজীৱনী) ইত্যাদি। তেওঁ অসমীয়া বাৰ্তা আলোচনী প্ৰান্তিকৰ প্ৰতিষ্ঠাপক মুখ্য সম্পাদক আৰু শিশু আলোচনী সঁফুৰাৰ প্ৰতিষ্ঠাপক সম্পাদক। তেওঁ শংকৰদেৱ কলাক্ষেত্ৰ স্থাপনৰো অন্যতম গুৰিয়াল আছিল। ড° শইকীয়াই কেইবাখনো উচ্চমানৰ চলচ্চিত্ৰ পৰিচালনা কৰাৰ উপৰি কে'বাখনো উল্লেখযোগ্য নাটক ৰচনা কৰি থৈ গৈছে। ❖

তলৰ ছবি দুখনৰ ব্যক্তি দুজনক চিনাক্ত কৰা।





# কুইজ

১। প্ৰতি বছৰে আমাৰ দেশত ১১ মে’ত ৰাষ্ট্ৰীয় প্ৰযুক্তি দিৱস পালন কৰা হয়। সেই দিনটো নিৰ্বাচনৰ কাৰণ কি?

২। কোনগৰাকী প্ৰখ্যাত সাহিত্যিকৰ আত্মজীৱনীখনৰ নাম ‘Lone Fox Dancing’?

৩। পৃথিৱীৰ এবিধ জনপ্ৰিয় খেলক চীনাসকলে নাম দিছিল ‘যু-দু’, ৰোমানসকলে নাম দিছিল ‘হাৰমাষ্টাম’। বৰ্তমান এই খেলবিধক কি বুলি জনা যায়?

৪। Gents Only Ladies Forbidden–এবিধ খেলৰ নাম। এই খেলবিধক ধনী মানুহৰ খেল বুলিও কোৱা হয়। এই খেলবিধৰ জনপ্ৰিয় নামটো কি?

৫। হিমাচল প্ৰদেশৰ কোনডোখৰ ঠাইক ‘ভগৱানৰ উপত্যকা’ (Valley of God) নামেৰেও জনা যায়?

৬। মাধৱদেৱ বিৰচিত কোনখন পুথিত থকা মুঠ ঘোষাৰ সংখ্যাৰ বাবে পুথিখনক ‘হেজাৰী ঘোষা’ বোলা হয়?

৭। অসমৰ গোৱালপাৰাত চ’ত মাহত অনাবৃষ্টি হ’লে বৰষুণ অহাৰ বাবে মহিলাসকলে এবিধ পূজা পাতে। ইয়াৰ নাম কি?

৮। কোনজন আহোম স্বৰ্গদেৱে ১৬৮৭ চনত ধোদৰ আলি বন্ধোৱাইছিল?

৯। ভৈয়ামত বাস কৰা টাই-খামতি, টাইফাকে, টাই আইতন, টাই-তুৰুং, টাই-খাময়াংসকলে ৰঙালী বিহুৰ সময়ত পতা বসন্তোৎসৱটোৰ নাম কি?

১০। গুৱাহাটী বিশ্ববিদ্যালয়ে ‘ডি লিট’ উপাধিৰে বিভূষিত কৰা বক্তৃতা দিয়াত অতি পাকৈত কোনজন চিৰকুমাৰ সাহিত্যিকৰ প্ৰকাশিত পুথিবোৰৰ ভিতৰত ‘জ্যোতিকণা’, ‘মানসী’, ‘অমিত্ৰা’, ‘তৰুণ অসম’, ‘কীৰ্তনৰ লৱনু’, ‘মহাপুৰুষীয়া ধৰ্ম’ অন্যতম?

১১। ১৯৯৭ চনত শ্ৰেষ্ঠ জীৱনীমূলক তথ্যচিত্ৰৰ ৰাষ্ট্ৰীয় বঁটা লাভ কৰা তথ্যচিত্ৰখনৰ পৰিচালক আছিল প্ৰবীণ হাজৰিকা। তথ্যচিত্ৰখনৰ নাম কি?

১২। দহ বছৰ বয়সতে ‘পিতা’ নামৰ কবিতা লিখা কোনগৰাকী কবিয়ে ১৯৬৭ চনত ‘অলকানন্দা’ নামৰ পুথিৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল?

১৩। ভাৰতৰ স্বাধীনতা আন্দোলনৰ প্ৰথম কৃষক বিদ্ৰোহ বুলি জনাজাত পথৰুঘাটৰ ৰণ কেতিয়া সংঘটিত হৈছিল?

১৪। বেডমিণ্টন গ্ৰাঁ প্ৰিৰ চেম্পিয়ন হোৱা আৰু ছুলাৰ ছিৰিজে টুৰ্ণামেণ্ট জয় কৰা প্ৰথম ভাৰতীয় মহিলা খেলুৱৈগৰাকী কোন?

১৫। পদাৰ্থবিজ্ঞানত প্ৰথম ন’বেল বঁটাবিজয়ী বিজ্ঞানীজনে ১৮৯৫ চনত এক্সৰে’ আৱিষ্কাৰ কৰিছিল। তেওঁৰ নাম কি?

১৬। এন কোৱামে (N Kwame) হ’ল দেশখনৰ প্ৰথম প্ৰধানমন্ত্ৰী (১৯৫৭) আৰু গণতন্ত্ৰ প্ৰতিষ্ঠা হোৱাৰ পাছত প্ৰথম ৰাষ্ট্ৰপতি। দেশখনৰ ৰাজধানী আক্ৰা। দেশখনৰ নাম কি?

১৭। তুৰস্কৰ কোনখন চহৰৰ পুৰণি নামটো কনষ্টাণ্টিনোপল?

১৮। পাকিস্তানৰ বৰ্তমানৰ ৰাজধানী ইছলামাবাদ। ১৯৬৭ চনৰ পৰা ই ৰাজধানী হয়। পাকিস্তান স্বাধীন হোৱাৰ সময়ত দেশখনৰ ৰাজধানী কি আছিল?

১৯। ক্ৰিমিয়াৰ যুদ্ধৰ সময়ত আহত সৈনিকক শুশ্ৰূষা কৰা কোনগৰাকী মহিলাক ‘দ্য লেডী উইথ দ্য লেম্প’ বুলি জনা যায়?

২০। মিচিংসকলৰ লোক-উৎসৱ নৰাছিগা বিহুক আন এটা নামেৰেও জনা যায়। নামটো কি? ❖

■ **সংগ্ৰহ : সীমান্ত কলিতা**

# চুড'কু

তলৰ আকৃতি দুটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰপৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

## চুড'কু ১৬৫

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 3 | | | 4 | | | 8 | 6 | 5 |
| | 8 | | | | | | | |
| | | | 6 | | 3 | 7 | | |
| | | 5 | | | | | 1 | 2 |
| | 6 | | 5 | | | 4 | 3 | |
| | 7 | | 1 | | 2 | | | |
| | 9 | | | | | | | 4 |
| 5 | | 3 | 8 | | | 6 | | |
| | | 7 | 3 | | | | 5 | |

## চুড'কু ১৬৬

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 1 | 2 | | 6 | | | 4 | | 9 |
| | | | | | 4 | 1 | | 2 |
| | | 6 | | 1 | | 5 | | |
| 6 | | 8 | 1 | | | | | |
| | 5 | | 3 | 4 | 2 | | | |
| 4 | | 2 | | | 8 | | | |
| 8 | | 7 | | | | 3 | | 5 |
| 3 | | 4 | | | | | 2 | 6 |
| | | | 4 | | | | | |

## চুড'কু ১৬৩

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 8 | 9 | 4 | 5 | 3 | 2 | 6 | 7 | 1 |
| 2 | 1 | 3 | 6 | 4 | 7 | 8 | 9 | 5 |
| 6 | 5 | 7 | 1 | 8 | 9 | 4 | 2 | 3 |
| 5 | 7 | 6 | 4 | 1 | 3 | 9 | 8 | 2 |
| 1 | 8 | 2 | 9 | 5 | 6 | 3 | 4 | 7 |
| 3 | 4 | 8 | 7 | 2 | 8 | 1 | 5 | 6 |
| 4 | 2 | 5 | 8 | 6 | 1 | 7 | 3 | 9 |
| 7 | 3 | 1 | 2 | 9 | 4 | 5 | 6 | 8 |
| 9 | 6 | 8 | 3 | 7 | 5 | 2 | 1 | 4 |

## চুড'কু ১৬৪

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 8 | 1 | 5 | 7 | 6 | 2 | 3 | 9 | 4 |
| 4 | 6 | 3 | 5 | 8 | 9 | 2 | 1 | 7 |
| 2 | 7 | 9 | 1 | 3 | 4 | 6 | 5 | 8 |
| 5 | 9 | 6 | 4 | 7 | 1 | 8 | 2 | 3 |
| 1 | 8 | 7 | 2 | 9 | 3 | 5 | 4 | 6 |
| 3 | 2 | 4 | 6 | 5 | 8 | 1 | 7 | 9 |
| 9 | 3 | 2 | 8 | 4 | 5 | 7 | 6 | 1 |
| 7 | 5 | 8 | 9 | 1 | 6 | 4 | 3 | 2 |
| 6 | 4 | 1 | 3 | 2 | 7 | 9 | 8 | 5 |

# তুলতুল বৰুৱা : আমাৰ ৰাজ্যৰ প্ৰথম মহিলা সাংবাদিকগৰাকী

■ অপৰ্ণা দেৱী



আমাৰ ৰাজ্যৰ সংবাদ জগতত বৰ্তমান ভালেসংখ্যক মহিলাই অতি নিষ্ঠাৰে সেৱা আগবঢ়াই থকা দেখা গৈছে। সাংবাদিকতাৰ দৰে এটা অতি গুৰুত্বপূৰ্ণ আৰু প্ৰত্যাহ্বানমূলক বৃত্তিত মহিলাৰ অংশগ্ৰহণ কৰাৰ বাট মুকলি কৰা বিদূষী মহিলাগৰাকী আছিল তুলতুল বৰুৱা। বিবাহ সূত্ৰে বৰুৱা উপাধি লৈছিল যদিও তেওঁ শিৱসাগৰৰ পুৰণা আমোলাপট্টিৰ প্ৰখ্যাত ভৰালী পৰিয়ালৰ সন্তান হিচাপে তেওঁৰ নাম আছিল তুলতুল ভৰালী।

তুলতুল বৰুৱা সৰুৰে পৰা তীক্ষ্ণ বুদ্ধিসম্পন্ন আছিল। তেওঁ ১৯৪৭ চনত পাণবজাৰ ছোৱালী হাইস্কুলৰ পৰা মেট্ৰিক পৰীক্ষা দি অসমৰ ছাত্ৰীসকলৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছিল। পৰৱৰ্তী সময়ত তেওঁ কটন কলেজ আৰু কলিকতা বিশ্ববিদ্যালয়ত বিজ্ঞান শিক্ষা লাভ কৰে। সেই সময়ত ছোৱালীয়ে বিজ্ঞানৰ শিক্ষা গ্ৰহণৰ বাবে খুব আগ্ৰহী নাছিল। কিন্তু সেই সময়তে তুলতুল ভৰালীয়ে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা নিউক্লিয় পদাৰ্থ বিজ্ঞানত প্ৰথম বিভাগত (ফাৰ্ষ্ট ক্লাছ) এম.এছ.চি. ডিগ্ৰী লাভ কৰে।

১৯৪৮ চনৰ ১ জুলাইত গুৱাহাটীত অনাতাঁৰ কেন্দ্ৰ স্থাপন হোৱাৰ সময়ত তুলতুল ভৰালীয়ে কটন কলেজত পঢ়ি আছিল। তেওঁ সেই সময়ত গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ যোগেদি গীত পৰিৱেশন কৰাৰ সুযোগ পাইছিল আৰু অসমৰ প্ৰথমগৰাকী মহিলা অনাতাঁৰ সংগীত শিল্পী হিচাপে স্বীকৃত হৈছিল। ১৯৫৬ চনত বিশিষ্ট গীতিকাৰ, সুৰকাৰ, নাট্যকাৰ নৱ বৰুৱাৰ সৈতে বিবাহপাশত আবদ্ধ হৈ তুলতুল ভৰালী তুলতুল বৰুৱা হ'ল। বিবাহৰ পিছত তেওঁ মুম্বাইত থাকিবলৈ লয় আৰু ভাৰত চৰকাৰৰ অধীনত এটি চাকৰিত দহ বছৰ জড়িত হৈ থাকে যদিও চাকৰিটো স্থায়ী হোৱাৰ আশা নেদেখি গুৱাহাটীলৈ ঘূৰি আহে। গুৱাহাটীলৈ উভতি আহি ১৯৭৩ চনত 'সাপ্তাহিক নীলাচল' কাকতত সহকাৰী সম্পাদকৰূপে যোগদান কৰে। তুলতুল বৰুৱাই সাপ্তাহিক নীলাচলত কাম কৰি থকা অৱস্থাত বিভিন্ন ঠাই ঘূৰি তথ্য সংগ্ৰহ কৰি অসমৰ প্ৰথম মহিলা সাংবাদিক হিচাপে পৰিগণিত হয়। পৰৱৰ্তী সময়ত তেওঁ 'দৈনিক অসম'ৰ স্তম্ভ লেখক হিচাপেও সেৱা আগবঢ়ায়। তেওঁৰ লিখনীসমূহে সেই সময়ত সামগ্ৰিক সচেতনতা সৃষ্টি কৰিছিল। গ্ৰন্থকাৰ হিচাপেও তুলতুল বৰুৱাই চানেকি ৰাখি থৈ গৈছে। স্কুলীয়া ব্যাকৰণৰ লগতে তেওঁৰ এখন ৰচনা সংকলন সৰ্বজন সমাদৃত। তদুপৰি চন্দ্ৰপ্ৰভা শইকীয়ানী আৰু পুষ্পলতা দাসৰ জীৱনী গ্ৰন্থও তেওঁ প্ৰণয়ন কৰিছে।

২০২০ চনৰ ২১ ডিছেম্বৰ তাৰিখে ৮৮ বছৰ বয়সত চিৰ বিদায় লয় একাধাৰে সাংবাদিক, সাহিত্যিক, সমাজসেৱিকা, গায়িকা তুলতুল বৰুৱাই। তেওঁ মৃত্যুৰ আগমুহূৰ্তত দেহদান, নেত্ৰদানৰ চুক্তিপত্ৰত স্বাক্ষৰ কৰি গৈছিল। তেওঁ ড° নিৰ্মলপ্ৰভা বৰদলৈ সাহিত্য বঁটা লাভ কৰাৰ লগতে ২০০৯ চনত অসম চৰকাৰৰ সাহিত্যিক পেঞ্চন লাভ কৰে। জন-বিজ্ঞান আন্দোলনৰ নেতৃত্ব বহন কৰা তুলতুল বৰুৱাৰ জীৱন আৰু কৰ্মই আমাক সদায়ে অনুপ্ৰাণিত কৰি থাকিব। ❖

# জয়পুৰ : মৰুৰ বুকুত গুলপীয়া চহৰ

■ অলকা গোস্বামী



১৮৭৬ চনত ভাৰত ভ্ৰমণলৈ আহিছিল ৱেলছৰ যুৱৰাজ এলবাৰ্ট এডৱাৰ্ড। পৰৱৰ্তী কালত এওঁ গ্ৰেট ব্ৰিটেইনৰ সম্ৰাট হৈ নাম লৈছিল সপ্তম এডৱাৰ্ড। অভিজাত ঐতিহ্যসম্পন্ন ৰাজ্য আমেৰৰ ৰাজধানী জয়পুৰ চহৰো আছিল তেওঁৰ ভ্ৰমণসূচীত। যুৱৰাজজনৰ সন্মানাৰ্থে আমেৰৰ তেতিয়াৰ ৰজা প্ৰথম ছৱাই ৰামসিংহই তেওঁৰ ৰাজধানীখনৰ সকলো অট্টালিকা আৰু ভৱনত গুলপীয়া ৰং কৰাইছিল। দৃশ্যটো দেখি অভিভূত হোৱা যুৱৰাজে চহৰখনৰ নাম দিছিল পিংক চিটি বা গুলপীয়া চহৰ বুলি। তেতিয়াৰে পৰা আমেৰৰ ৰাজধানী চহৰখন গুলপীয়া চহৰ অভিধাৰে ভাৰতৰ উল্লেখনীয় ভ্ৰমণযোগ্য চহৰ হিচাপে জনপ্ৰিয় হ'ল। ভাৰত স্বাধীন হোৱাৰ পিছত গঠিত ৰাজস্থান নামৰ ৰাজ্যখনৰো ৰাজধানী হৈ পৰিল এই গুলপীয়া চহৰখন, যাৰ প্ৰকৃত নাম জয়পুৰ।

জয়পুৰ চহৰৰ স্থপতিজনৰ নাম বিদ্যাধৰ ভট্টাচাৰ্য্য। তেওঁৰ বিষয়ে বেছি কথা জানিব পৰা নাযায়। মাথোঁ ইয়াকেই জনা যায় যে তেওঁ আছিল বৰ্তমানৰ পশ্চিমবংগৰ নৈহাটী অঞ্চলৰ লোক। জীৱিকাৰ সন্ধানত তেওঁ জয়পুৰত উপস্থিত হৈছিল আৰু ৰজা ছৱাই দ্বিতীয় জয়সিংহৰ অধীনত হিচাপ ৰক্ষকৰ সহকাৰী হিচাপে কাম কৰিছিল। ভাৰতীয় শিল্প-শাস্ত্ৰ আৰু বাস্তু-শাস্ত্ৰত তেওঁৰ অগাধ জ্ঞান থকাৰ উমান পায়েই ৰজা জয়সিংহই তেওঁৰ নতুন ৰাজধানী চহৰখনৰ পৰিকল্পনাৰ নেতৃত্ব বিদ্যাধৰ ভট্টাচাৰ্য্যৰ হাতত অৰ্পণ কৰিছিল।

ছৱাই দ্বিতীয় জয়সিংহ আমেৰৰ সিংহাসনত বহিছিল ১৬৯৯ চনত। সিংহাসনত অধিষ্ঠিত হোৱাৰ পিছতে তেওঁ উপলব্ধি কৰিলে যে তেওঁৰ দুৰ্গ চহৰ আমেৰৰ বৰ্ধিত জনসংখ্যাৰ অনুপাতে পৰ্য্যাপ্ত বাসোপযোগী ঠাই নাই। তেওঁ লগতে ইয়াকো লক্ষ্য কৰিলে যে আমেৰত পানীৰ অভাৱ দিনে দিনে বাঢ়ি আহিছে। দুয়োটা অসুবিধা আঁতৰ কৰিবলৈকে তেওঁ ৰাজধানীখন স্থানান্তৰ কৰাৰ কথা ভাবিলে। তেওঁৰ চকুত পৰিল দুৰ্গ চহৰৰ পৰা ১১ কিল'মিটাৰ নিলগৰ বহল সমভূমি অংশত, যি অংশৰ মাজেৰে বৈ গৈছে দ্ৰব্যাৱতী নৈ। আমেৰ পাহাৰৰ জয়শাল্য গাঁৱত উৎপত্তি হৈ প্ৰায় ৫০ কিল'মিটাৰ নিলগত ধুন্দ নৈত পৰা দ্ৰব্যাৱতীৰ দুপাৰক তেওঁ নতুন ৰাজধানীৰ ঠাই হিচাপে নিৰ্বাচন কৰিলে আৰু বিদ্যাধৰ ভট্টাচাৰ্য্যক চহৰ নিৰ্মাণৰ দায়িত্ব দিলে। ৰজা জয়সিংহৰ নামেৰেই চহৰখনৰ নাম ৰখা হৈছিল জয়পুৰ।

বাস্তুশাস্ত্ৰ আৰু শিল্পবিদ্যাক আধাৰ কৰি বিদ্যাধৰ ভট্টাচাৰ্য্যই চহৰ নিৰ্মাণ ক্ষেত্ৰখন ছটা মণ্ডলত ভাগ কৰিলে। আহল-বহল ৰাস্তা সাজি এই মণ্ডলবোৰ কৰা হ'ল। কেন্দ্ৰৱৰ্তী অঞ্চল ৰাজ পৰিয়ালৰ বাবে সংৰক্ষণ কৰি বাকী মণ্ডলবোৰত ৰাজবিষয়া আৰু সাধাৰণ প্ৰজাৰ বাসস্থান সাজি দিয়া হ'ল। ৰাজ পৰিয়ালৰ বাবে থকা মণ্ডলটোত সজা হ'ল হাৱামহল নামেৰে খ্যাত ৰাজকাৰেংটো, এখন আহল-বহল বাগিচা আৰু এটা পুষ্কৰিণী। চহৰখনৰ উত্তৰ-পশ্চিমৰ টিলাটোত সজা হ'ল নাহৰগড় দুৰ্গ। আমেৰৰ শাসকসকলে পৰৱৰ্তী সময়তো বিভিন্ন অট্টালিকা, কাৰেং, বাগিচা আদি নিৰ্মাণ তথা স্থাপন

কৰিছে। অৱশ্যে পৰৱৰ্তী নিৰ্মাণবোৰ এনেদৰে কৰা হৈছে যাতে চহৰখনৰ মূল স্থাপত্যৰ সলনি নহয়। চহৰখনলৈ তিনিটা প্ৰৱেশ পথ নিৰ্মাণ কৰা হৈছিল। এই প্ৰৱেশ পথকেইটাৰ পূব ফালৰটোৰ নাম সূৰয পোল (সূৰ্য্য পথ) আৰু পশ্চিমৰফালৰটোৰ নাম চান্দপোল (চন্দ্ৰপথ)। উত্তৰৰ ফালৰ প্ৰৱেশ পথৰ নাম নাই, এইখন পুৰণি ৰাজধানী আমেৰৰ পথত আছিল।

ৰাজস্থানী সংস্কৃতি হ'ল 'নিৰ্মিত' তথা সমূহীয়া সংস্কৃতি। বিত্তশালী শাসকসকলে ভাৰত তথা এছিয়াৰ বিভিন্ন স্থানৰ কুশলী শিল্পী, কাৰিকৰক মতাই আনিছিল, বহুতো শিল্পী, কাৰিকৰ জীৱিকাৰ সন্ধানত নিজেও আহি উপস্থিত হৈছিল। সকলোৰে যুগ যুগ ধৰি দিয়া অৰিহণাৰে 'নিৰ্মাণ' হৈ উঠিছে ৰাজস্থানৰ সংস্কৃতি। ৰাজস্থানী সংস্কৃতিৰ বিভিন্ন উপাদান যেনে, নৃত্য, গীত, ভাস্কৰ্য্য, স্থাপত্য আদি প্ৰায় সকলোতে ভাৰতৰ অন্য স্থান বা এছিয়াৰ কোনো কোনো প্ৰদেশৰ প্ৰভাৱ বিদ্যমান। সেয়েহে ৰাজস্থানী সংস্কৃতি বিচিত্ৰতাপূৰ্ণ আৰু ঐতিহ্যময়। এনেবোৰ কাৰণতে ২০১৯ চনত ইউনেস্কোই জয়পুৰক 'ঐতিহ্য চহৰ'ৰ স্বীকৃতি দিয়ে।

ভাৰতৰ ৰাজধানী দিল্লীৰপৰা জয়পুৰৰ পথৰ দূৰত্ব ২৬৮ কিল'মিটাৰ। ২০১১ চনৰ লোকপিয়ল মতে এই চহৰৰ জনসংখ্যা ৩০.৭ লাখ। জয়পুৰৰ কেইখনমান উল্লেখযোগ্য ঠাই হৈছে হাৱামহল, চিচমহল, জলমহল, অম্বৰ (আমেৰ) দুৰ্গ ইত্যাদি। বাৰে বৰণীয়া সংস্কৃতি আৰু নানান পুৰণি স্থাপত্য ভাস্কৰ্য্যৰ নিদৰ্শনসমৃদ্ধ জয়পুৰ চহৰ ভাৰতবৰ্ষৰ এক অন্যতম পৰ্য্যটনস্থলী। ❖

## বৰেণ্য ব্যক্তিত্ব

# আদৰ্শবান ৰাজনীতিক হেম বৰুৱা

■ প্ৰণীতা দেৱী

অসাধাৰণ বাগ্মিতা আৰু যুক্তিপূৰ্ণ বিতৰ্কৰে এসময়ত সংসদৰ মজিয়া কঁপাই তোলা এগৰাকী প্ৰাতঃস্মৰণীয় অসমীয়া হৈছে হেম বৰুৱা। তেজোদ্দীপ্ত ভাষণেৰে সংসদৰ মজিয়াত সকলোৰে দৃষ্টি আকৰ্ষণ কৰা হেম বৰুৱা আছিল একাধাৰে স্বাধীনতা সংগ্ৰামী, শিক্ষাবিদ, সাহিত্যস্ৰষ্টা, সমাজবাদী নেতা তথা ৰাজনীতিক। সংসদত ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় বিভিন্ন বিষয়ৰ আলোচনাৰ লগতে অসমৰ প্ৰতিটো সমস্যা সমাধানৰ হকে সৰৱ ভূমিকা পালন কৰিছিল এইগৰাকী অসম সন্তানে।

১৯১৫ চনৰ ২২ এপ্ৰিলত তেজপুৰত হেম বৰুৱাৰ জন্ম হৈছিল। ১৯৩৮ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰি তেওঁ ১৯৪১ চনত যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ত অসমীয়া আৰু ইংৰাজী বিষয়ৰ অধ্যাপক হিচাপে যোগদান কৰে। কিন্তু তাৰ পৰৱৰ্তী বছৰত তেওঁ চাকৰি এৰি ভাৰত ত্যাগ আন্দোলনত জঁপিয়াই পৰে। ১৯৪৩ চনত তেওঁ কাৰাবাস খাটিবলগীয়া হয়। পাছত তেওঁ গুৱাহাটীৰ বি বৰুৱা মহাবিদ্যালয়ত যোগদান কৰে আৰু পৰৱৰ্তী সময়ত মহাবিদ্যালয়খনৰ অধ্যক্ষ পদত অধিষ্ঠিত হয়।

সমাজবাদী আদৰ্শৰ পোষকতা কৰা হেম বৰুৱা 'প্ৰজা ছ'চিয়েলিষ্ট' দলৰ পৰা সংসদলৈ নিৰ্বাচিত হৈছিল। ১৯৫৭ আৰু ১৯৬২ চনত গুৱাহাটীৰ পৰা আৰু ১৯৬৭ চনত মঙলদৈ সমষ্টিৰ পৰা তেওঁ লোকসভালৈ নিৰ্বাচিত হৈছিল। দেশ-বিদেশৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক তথ্য-পাতি নখ-দৰ্পণত থকা হেম বৰুৱাই বিৰোধী দলৰ সদস্য হিচাপে গঠনমূলক সমালোচনাৰে সংসদত সৰৱ ভূমিকা পালন কৰিছিল। সেই সময়ৰ 'Illustrated Weekly' নামৰ বাৰ্তালোচনীখনে হেম বৰুৱাক সংসদৰ চিৰ-জাগ্ৰত সদস্যৰূপে অভিহিত কৰিছিল। বিৰল প্ৰতিভাৰ বাবে



সেই সময়ৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে তেওঁক সন্মান কৰিছিল। আনকি ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ দৰে দাৰ্শনিক পণ্ডিতো তেওঁৰ পাণ্ডিত্যৰ প্ৰতি আকৰ্ষিত হৈছিল।

সাংসদ হিচাপে হেম বৰুৱাই অসমৰ প্ৰতিটো সমস্যা যুক্তি আৰু সাহসেৰে সংসদত উপস্থাপন কৰিছিল। গংগা নদীৰ ওপৰত কেইবাখনো দলং হোৱাৰ পিছতো ব্ৰহ্মপুত্ৰৰ ওপৰত এখনো দলং নথকাৰ কথাটো তেওঁ সজোৰে লোকসভাত উত্থাপন কৰিছিল। হেম বৰুৱাৰ নিৰন্তৰ প্ৰচেষ্টাতেই যে ব্ৰহ্মপুত্ৰৰ ওপৰত প্ৰথমখন দলং (শৰাইঘাটৰ দলং) নিৰ্মাণ হ'ল সেই কথা জৱাহৰলাল নেহৰুৱেও স্বীকাৰ কৰিছিল। গুৱাহাটীতো ৰেল'ৱেৰ সদৰ কাৰ্য্যালয়, গুৱাহাটী তেল শোধনাগাৰ, নামৰূপ সাৰ কাৰখানা আদি স্থাপনৰ ক্ষেত্ৰত তেওঁৰ ভূমিকা সৰ্বজনস্বীকৃত। ১৯৬০ চনৰ ভাষা আন্দোলনৰ সময়তো তেওঁ অসম আৰু অসমীয়াৰ স্বাৰ্থত সংসদ কঁপাই তুলিছিল। ৰাজনীতিৰ ক্ষেত্ৰখনত তেওঁ দূৰদৰ্শিতাৰ পৰিচয় দিছিল। ১৯৬২ চনৰ চীনৰ ভাৰত আক্ৰমণৰ অভিসন্ধিৰ কথা হেম বৰুৱাই বহু আগতেই সংসদত উত্থাপন কৰিছিল। চীনে তিব্বত দখলৰ সময়ৰ পৰাই ভৱিষ্যতে ভাৰত আক্ৰমণৰ সম্ভাৱনাৰ কথা প্ৰধানমন্ত্ৰী নেহৰুৰ দৃষ্টিগোচৰ কৰিছিল। গভীৰ অধ্যয়নপুষ্ট ৰসাল ভাষণ, প্ৰত্যুৎপন্নমতিতা, বুদ্ধিমত্তা আৰু পাণ্ডিত্যৰ বাবেই বিৰোধী দলৰ সদস্য হৈও তেওঁ অসমৰ ন্যায্যপ্ৰাপ্তি আদায় কৰিব পাৰিছিল। আদৰ্শৰ ৰাজনীতিত অটল থকা হেম বৰুৱাৰ দৰে সাহসী দ্বিতীয় এগৰাকী সাংসদ অসমে আজিলৈকে পোৱা নাই বুলিলেও অত্যুক্তি কৰা নহ'ব।

এইগৰাকী মহান অসমীয়াৰ আন এটা পৰিচয় হৈছে 'মমতাৰ চিঠি'ৰ দৰে কালজয়ী কবিতাৰ কবি হেম বৰুৱা। তেওঁ নিজেই কৈছিল—মই ৰাজনীতি কৰিছোঁ ইহকালৰ বাবে আৰু সাহিত্য কৰিছোঁ পৰকালৰ কাৰণে। কবিতা, ভ্ৰমণ কাহিনী, সমালোচনা, অনুবাদ, গল্প, প্ৰবন্ধ আদি মুঠ ৩০ খন গ্ৰন্থৰে তেওঁ সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। ইয়াৰে ৮ খন ইংৰাজী গ্ৰন্থ। বিশিষ্ট লেখক ড° হীৰেন গোহাঁয়ে 'হেম বৰুৱাৰ কবিতা' শীৰ্ষক আলোচনাত তেওঁক 'প্ৰকৃতাৰ্থত আধুনিক অসমীয়া কবিতাৰ জন্মদাতা'ৰূপে অভিহিত কৰিছে। হেম বৰুৱাৰ কেইখনমান উল্লেখযোগ্য গ্ৰন্থ হ'ল— The Red River and the Blue Hill, মেকং নৈ দেখিলোঁ, তলসৰা, স্মৃতিৰ পাপৰি, সাগৰ দেখিছা?, মন ময়ূৰী, বালিছন্দা আদি। অসম সাহিত্য সভাৰ ১৯৭২ চনৰ ধুবুৰী অধিৱেশনত তেওঁ সভাপতিত্ব কৰিছিল। পাছলৈ তেওঁ 'The Assam Express' নামৰ দৈনিক কাকত এখনৰ সম্পাদকো হৈছিল।

প্ৰতিভাৰ আঁকৰ এইগৰাকী মহান অসমীয়াৰ আছিল এটি সংবেদনশীল, মানৱ দৰদী মন। স্বাধীনতাৰ পৰৱৰ্তী পৰ্য্যায়ত চৰকাৰে মুক্তিযুঁজাৰুসকলক গুৱাহাটীত মাটি প্ৰদান কৰিছিল। তেওঁ সেই মাটি নিজে ল'বলৈ অস্বীকাৰ কৰি বি. বৰুৱা মহাবিদ্যালয়লৈ আগবঢ়াইছিল। বিদেশত অধ্যয়নৰ বাবে লাভ কৰা বৃত্তিও তেওঁ গ্ৰহণ কৰা নাছিল। অতি আকৰ্ষণীয় ব্যক্তিত্বৰ অধিকাৰী এইগৰাকী ব্যক্তিৰ ১৯৭৭ চনৰ ৯ এপ্ৰিলত ৬২ বছৰ বয়সত দেহাৱসান ঘটে। প্ৰসিদ্ধ সমাজবাদী নেতা সুৰেন্দ্ৰ নাথ দ্বিবেদীয়ে কৈছিল—'লোকসভাত হেম বৰুৱা আছিল অসমৰ প্ৰাচীৰ তুল্য। তেওঁ উপস্থিত নাথাকিলে লোকসভাত অসমখনেই উপস্থিত নথকা যেন অনুভৱ হয়।' অদম্য সাহস আৰু সুন্দৰ আদৰ্শৰে এইগৰাকী সুদক্ষ ৰাজনীতিক-সাহিত্যিকৰ অৱদান অসমবাসীৰ বাবে অনুকৰণীয় হৈ ৰ'ব। ❖

# মানসিক সামৰ্থ্য বিকাশ

■ **ৰবীন্দ্ৰ বৰ্মন**

1. এটা কাৰ্য্যালয়ৰ এটা কাউণ্টাৰৰ সন্মুখত পাঁচজন মানুহে শাৰী পাতিছে। শাৰীৰ একেবাৰে সন্মুখত বকুল আৰু একেবাৰে শেষত নীহাৰ। অমল, ৰোহিতৰ ঠিক পিছফালে আছে। বীৰেনৰ ঠিক পিছফালে নীহাৰ আছে। বকুল আৰু অমলৰ মাজত ৰোহিত আছে। সন্মুখৰ পৰা কোন স্থানত অমল আছে?

   a) দ্বিতীয় b) তৃতীয় c) চতুৰ্থ d) পঞ্চম

2. চাৰিটা সংখ্যাৰ গড় 20। তাৰে তিনিটা সংখ্যা 5, 10, 15 হ'লে চতুৰ্থ সংখ্যাটো কি?

   a) 20 b) 25 c) 45 d) 50

3. 5টা ক্ৰমিক স্বাভাৱিক সংখ্যাৰ যোগফল 190। সিহঁতৰ আটাইতকৈ ডাঙৰ আৰু আটাইতকৈ সৰু সংখ্যা দুটাৰ যোগফল কিমান?

   a) 75 b) 77 c) 76 d) 73

4. এটা গেৰেজত থকা দুচকীয়া আৰু তিনিচকীয়া বাহনৰ মুঠ সংখ্যা 10। যদি বাহনসমূহৰ মুঠ চকাৰ সংখ্যা 24, তেন্তে তাত থকা তিনিচকীয়া বাহনৰ সংখ্যা কিমান?

   a) 4 b) 2 c) 8 d) 6

5. 'CONSTITUTIONAL' শব্দটোৰ আখৰবোৰ ব্যৱহাৰ কৰি তলৰ কোনটো শব্দ গঠন কৰিব নোৱাৰি?

   a) CONSULT b) LOCATION c) TUITION d) TALENT

6. GREAT : 25 : : NUMBER : ?

   a) 36 b) 38 c) 27 d) 24

7. F : 216 : : L : ?

   a) 1700 b) 1600 c) 1728 d) 1723

**উত্তৰসমূহ :**

1. b  2. d  3. c  4. a  5. d  6. a  7. c

# মেগ্‌না কাৰ্টা—নাগৰিকৰ অধিকাৰৰ মহান চনদ

■ ৰাণু বুজৰবৰুৱা

***১২১৫ চনত ইংলণ্ডৰ ৰাজপক্ষ আৰু বেৰনসকলৰ মাজত এক চনদ স্বাক্ষৰিত হৈছিল। ইয়াক মেগনা কাৰ্টা (Magna Carta) চনদ নামেৰে জনা যায়। এই চনদ শাসকসকলৰ স্বেচ্ছাচাৰিতাৰ বিৰুদ্ধে নাগৰিকৰ অধিকাৰৰ ভেটি স্বৰূপ। সেয়ে ইয়াক স্বাধীনতাৰ মহান চনদ (Great Charter of Freedoms) বুলি অভিহিত কৰা হয়। ৮০৬ বছৰ আগতে স্বাক্ষৰিত এই চনদ আজিও প্ৰাসংগিক।***

## মেগ্‌না কাৰ্টা কিয় স্বাক্ষৰিত হৈছিল?

ব্ৰিটেইনৰ ৰজা জন (John) (১১৯৯ চনৰ পৰা ১২১৬ চনলৈ) এগৰাকী বিফল ৰজা আছিল। তেওঁ পূৰ্বপুৰুষসকলে জয় কৰা ফ্ৰান্সৰ বহুখিনি মাটি ফ্ৰান্সৰ ৰজাৰ লগত হোৱা যুদ্ধত হেৰুৱাইছিল। ফলত তেওঁৰ প্ৰতি বেৰণসকল (Baron : ব্ৰিটেইনৰ ভূস্বামীসকলৰ সৰ্বনিম্ন খিতাপধাৰী লোক) বিদ্ৰোহী হৈ উঠিছিল। তদুপৰি গীৰ্জাৰ সৰ্বোচ্চ ধৰ্মগুৰুৰ (Pope) লগতো তেওঁৰ সম্পৰ্ক ভাল নাছিল। কেণ্টাৰবাৰিৰ আৰ্কবিশ্বপ ষ্টিফেন লেংটনে ৰজা আৰু বিদ্ৰোহী বেৰণসকলৰ মাজত শান্তি প্ৰতিষ্ঠা কৰিবলৈ এখন খচৰা প্ৰস্তুত কৰিছিল। কিন্তু দুয়োপক্ষই সেইখন কাৰ্য্যকৰী নকৰিলে। ফলত বেৰণসকলে ৰজাৰ বিৰুদ্ধে যুদ্ধ কৰি ১২১৫ চনত লণ্ডন দখল কৰে। ৰজাই কোনো উপায় নেদেখি বেৰণসকলৰ লগত সন্ধি কৰিছিল। আৰ্কবিশ্বপ লেংটন, বেৰণসকল আৰু ৰজা জনৰ মাজৰ আলোচনাৰ অন্তত ১২১৫ চনৰ ১৫ জুনত ৰুনিমেডে (Runnymede) নামৰ ঠাইত এখন চনদ বা প্ৰজাৰ অধিকাৰ পত্ৰ স্বাক্ষৰ হয়।

কিন্তু ৰজা জনৰ পুত্ৰ হেন্‌ৰি তৃতীয়ই (Henry III) কিছু সংস্কাৰকামী ব্যৱস্থা বাদ দি চনদখন পুনৰ ঘোষণা কৰে। ১২১৭ চনত যুদ্ধৰ শেষত স্বাক্ষৰ হোৱা শান্তি চুক্তিত এই চনদখনো অন্তৰ্ভুক্ত হয় আৰু ইয়াতে ইয়াক মেগ্‌না কাৰ্টা নাম দিয়া হয়। পিছলৈ এইখন ব্ৰিটিছ ৰাজনীতিৰ প্ৰধান অংগ হৈ পৰে যদিও প্ৰতিজন ৰজাই ইয়াক সংশোধিত ৰূপত প্ৰচলন কৰাৰ ফলত মূল চনদখনৰ বহুতো নিয়ম-নীতি নোহোৱা হৈ যায়।

## চনদখনক কিয় মহান চনদ আখ্যা দিয়া হয়?

মেগ্‌না কাৰ্টা হ'ল এনে এখন চনদ য'ত প্ৰজাৰ লগতে ৰজাকো আইন ব্যৱস্থাৰ আওতালৈ অনা হৈছিল। অৰ্থাৎ ৰজাও দেশৰ আইন মানি চলিবলৈ বাধ্য। এক কথাত এই চনদখন গণতন্ত্ৰ প্ৰতিষ্ঠাৰ প্ৰথম প্ৰচেষ্টা আছিল। চনদখনৰ মুঠ ৬৩টা দফাৰ (clause) মাত্ৰ চাৰিটাহে বৰ্তমান প্ৰযোজ্য হৈ আছে। সেইকেইটা হ'ল ১, ১৩, ৩৯ আৰু ৪০। এই চাৰিটা দফাৰ ভিতৰত ৩৯ আৰু ৪০ নং দফা দুটা অতি গুৰুত্বপূৰ্ণ আৰু কেইবাখনো দেশৰ সংবিধান আৰু মানৱাধিকাৰ বিষয়ক আইনসমূহ এই দুটা দফাৰ দ্বাৰাই অনুপ্ৰাণিত হৈ ৰচিত হোৱা। ৩৯ নং দফা অনুসৰি দেশৰ প্ৰচলিত আইনক বাদ দি বা আইনগত বিচাৰ প্ৰক্ৰিয়াৰ অবিহনে কোনো ব্যক্তিক বন্দী কৰিব বা কাৰাগাৰত ৰাখিব নোৱাৰিব, তেওঁক তেওঁৰ অধিকাৰসমূহৰ পৰা বঞ্চিত কৰিব নোৱাৰিব, কাকো দেশান্তৰ কৰিব নোৱাৰিব, জোৰ-জুলুম কৰি কোনো ব্যক্তিৰ ওপৰত বিচাৰ প্ৰক্ৰিয়া জাপি দিব নোৱাৰিব।

আকৌ দফা ৪০ অনুসৰি কোনো ব্যক্তিক ন্যায় বিক্ৰী কৰা নহ'ব, ন্যায় দিবলৈ অস্বীকাৰ কৰা নহ'ব তথা ন্যায় প্ৰাপ্তিত দেৰি কৰা নহ'ব।

এই দফা দুটাত উল্লেখ থকা 'to no one' আৰু 'no free man' এই শব্দাংশই এই দফা দুটাক বিশ্বজনীন গুৰুত্ব প্ৰদান কৰিছে। ইয়াৰ দ্বাৰা অনুপ্ৰাণিত হৈয়ে ব্ৰিটেইনৰ প্ৰথম অধিকাৰৰ বিধেয়ক (Bill of Rights, 1689) ৰচিত হৈছিল। এই বিধেয়কে ব্ৰিটিছ নাগৰিকৰ অধিকাৰসমূহ ইমান শক্তিশালীভাৱে সুৰক্ষিত কৰিছিল যে

বহু বছৰলৈ ব্ৰিটেইনত লিখিত সংবিধানৰ প্ৰয়োজনবোধেই হোৱা নাছিল।

**মেগ্না কাৰ্টাৰ প্ৰভাৱ তথা গুৰুত্ব**

মেগ্না কাৰ্টাই কেইবাখনো দেশৰ সংবিধান ৰচনাৰ ক্ষেত্ৰত প্ৰভাৱ বিস্তাৰ কৰিছে। বিশেষকৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংবিধান ইয়াৰ দ্বাৰা অতি বেছি প্ৰভাৱান্বিত হৈছিল। ইয়াৰ দ্বাৰা প্ৰভাৱিত হৈয়েই আমেৰিকা যুক্তৰাষ্ট্ৰই ১৭৯১ চনত অধিকাৰৰ বিধেয়ক (Bill of Rights) গ্ৰহণ কৰে। দৰাচলতে ১৮ শতিকাত দমনকাৰী শাসকসকলৰ বিৰুদ্ধে মেগ্না কাৰ্টাক সাধাৰণ জনসাধাৰণৰ সুৰক্ষা কবচ হিচাপে গণ্য কৰা হৈছিল। ফ্ৰান্সৰ বিদ্ৰোহতো এই চনদখনৰ প্ৰভাৱ পৰিছিল।

দ্বিতীয় বিশ্বযুদ্ধৰ শেষত ১৯৪৮ চনত স্বাক্ষৰিত হোৱা Universal Declaration of Human Rights আৰু European Convention on Human Rights (১৯৫০)ত মেগ্না কাৰ্টাৰ মূল নীতি অনুসৰণ কৰা দেখা যায়।

আমাৰ দেশৰ সংবিধানৰ অনুচ্ছেদ ১২ৰ পৰা অনুচ্ছেদ ৩৫লৈ বিভিন্ন ধৰণৰ অধিকাৰৰ লগতে মৌলিক অধিকাৰসমূহ সন্নিৱিষ্ট কৰা হৈছে। সংবিধানৰ এই অংশটো আমেৰিকাৰ অধিকাৰৰ বিধেয়ক (Bill of Rights)ৰ অনুপ্ৰেৰণাত ৰচিত। সেয়েহে এই অংশটোক ভাৰতীয় সংবিধানৰ মেগ্না কাৰ্টা আখ্যা দিয়া হয়। ❖

## চুড'কু মে', ২০২১ৰ শুদ্ধ উত্তৰ দিওঁতাসকল

**পঞ্চম শ্ৰেণী :** জ্যোতিষ্মান ডেকা (খ) ❖

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ (এপ্ৰিল)

১। সিন্ধু। ২। ইজিপ্ত। ৩। চেলাইন'মিটাৰ (Salinometer)। ৪। হিৰ'ডটাছ (Herodotus)। ৫। কৌটিল্য।

## কুইজৰ উত্তৰসমূহ

১) ১৯৯৮ চনৰ ১১ মে'ত ভাৰতে পোখৰাণত পাৰমাণৱিক বোমাৰ পৰীক্ষা কৰিছিল। ২) ৰাস্কিন বণ্ড (Raskin Bond)। ৩) ফুটবল। ৪) গল্ফ (Golf)। ৫) কুল্লু। ৬) নামঘোষা। ৭) হুদুমদেও পূজা। ৮) গদাধৰ সিংহ। ৯) পয়ঃচাংকেন। ১০) নীলমণি ফুকন। ১১) হস্তীৰ কন্যা। ১২) নলিনীবালা দেৱী। ১৩) ১৮৯৪ চনৰ ২৮ জানুৱাৰীত। ১৪) ছাইনা নেহৱাল। ১৫) উইলহেল্ম কনৰাড ৰণ্টজেন (Roentgen)। ১৬) ঘানা। ১৭) ইষ্টানবুল। ১৮) কৰাচী। ১৯) ফ্লোৰেন্স নাইটিংগেল। ২০) পঃৰাগ। ❖

## তোমালোকৰ বাবে প্ৰশ্ন

১। 'সন্ধিয়াৰ সুৰ' কাৰ ৰচনা?
২। 'গীতিকবি' কোন?
৩। ভাৰতবৰ্ষৰ প্ৰথম উপ-ৰাষ্ট্ৰপতি কোন?
৪। অসম সাহিত্য সভাৰ মুখ্য কাৰ্য্যালয়টোৰ নাম কি?
৫। কোচ ৰজা নৰনাৰায়ণৰ প্ৰকৃত নাম কি আছিল? ❖

# ওলোমা উপত্যকা কি?

■ নিজৰা গোহাঁই



ওলোমা উপত্যকা শব্দটো হিমবাহৰ লগত জড়িত। হিমবাহ মানে হ'ল গতিশীল বৰফ। পৃথিৱীৰ উপৰিভাগত দুই মেৰু অঞ্চলৰ লগতে হিমালয়, আল্পছ আদিৰ দৰে পৰ্বতৰ উচ্চাংশত বৃহৎ পৰিমাণৰ বৰফ জমা হৈ আছে। ভূ-পৃষ্ঠত প্ৰায় ২৯ নিযুত ঘন কিল'মিটাৰ পৰিমাণৰ পানী বৰফ আকাৰে জমা হৈ আছে।

দুই মেৰু অঞ্চলত সূৰ্য্যৰ ৰশ্মি অতি হেঙুলীয়াকৈ পৰে, তদুপৰি উত্তৰ মেৰুত সূৰ্য্যৰ ৰশ্মি পৰি থকাৰ সময়ত দক্ষিণ মেৰুত প্ৰায় ছমাহ ধৰি সূৰ্য্যৰ ৰশ্মি নপৰে। ইয়াৰ ফলত সেই সময়খিনিত দক্ষিণ মেৰুত আন্ধাৰ হৈ থকাৰ লগতে মেৰু পৃষ্ঠত বৰফ জমা হয়। সেইখিনি সময়ত উত্তৰ মেৰুত অতি হেলনীয়াকৈ সূৰ্য্যৰ ৰশ্মি পৰে কাৰণে তাৰ বৰফবোৰ কিছু পৰিমাণে গলিবলৈ ধৰে।

আনহাতে ওখ পৰ্বতৰ চূড়াত বৰফ জমা হয়। সাধাৰণতে গড় হিচাপে প্ৰতি এক কিল'মিটাৰ উচ্চতা বৃদ্ধিত প্ৰায় ৬.৫° ছেণ্টিগ্ৰেড উষ্ণতা কমি যায়। উদাহৰণ স্বৰূপে, মাউণ্ট এভাৰেষ্ট শৃংগৰ উচ্চতা ৮৮৪৮ মিটাৰ। এক কিল'মিটাৰত ৬.৫° কমিলে প্ৰায় আঠ কিল'মিটাৰত ভূপৃষ্ঠতকৈ -৪৮° ছেণ্টিগ্ৰেডতকৈও উত্তাপ হ্ৰাস পায়। সেয়েহে এভাৰেষ্টৰ চূড়াত বহু পৰিমাণৰ বৰফ জমা হয়।

দুই মেৰু অঞ্চলত আৰু পৰ্বতৰ চূড়াত জমা হোৱা বৰফবোৰ ভূ-পৃষ্ঠৰ ঢাল অনুসৰি তললৈ নামি আহে। নামি অহাৰ গতিবেগ অৱশ্যে অতি ধীৰ। দিনটোৰ ভিতৰত ই কেইমিলিমিটাৰমানৰ পৰা কেইমিটাৰমানহে অতিক্ৰম কৰে। এনেকৈ ধীৰ গতিৰে নামি অহা বৰফকে হিমবাহ (বৰফৰ নদী) বোলা হয়।

হিমবাহবোৰ এফালে জমা হৈ থকা বৰফ স্তূপৰ প্ৰবল হেঁচা আৰু আনফালে মাধ্যাকৰ্ষণ শক্তিৰ ক্ৰিয়াৰ ফলত তললৈ নামি আহে। পৃথিৱীৰ স্থলভাগৰ প্ৰায় ১০ শতাংশত ধীৰ গতিৰে নামি অহা হিমবাহবোৰে ক্ৰিয়া কৰি আছে।

ওলোমা উপত্যকা মানে হ'ল হিমবাহ এটাৰ উপনৈ অৰ্থাৎ উপহিমবাহ। ইয়াক ওলমি থকাৰ দৰে লাগে কাৰণে ওলোমা হিমবাহ বোলে। নদী এখনত উপনৈ এখন যেতিয়া লগ লাগে তেতিয়া সেই উপনৈখনৰ পানী মূল নদীখনৰ পানীৰ লগত মিলি যায়। কিন্তু হিমবাহ যিহেতু পানীৰ গোটা ৰূপ অৰ্থাৎ বৰফ সেয়ে হিমবাহৰ ক্ষেত্ৰত কথাটো সুকীয়া। ইয়াত বেলেগ দিশৰ পৰা অহা সৰু হিমবাহ এটা যেতিয়া ডাঙৰ হিমবাহ এটাৰ লগ লাগে তেতিয়া ই নদীখনৰ দৰে মিলি যাব নোৱাৰে, মূল হিমবাহটোৰ ওপৰলৈ উঠি আহে। মূল হিমবাহৰ উপত্যকা তুলনামূলকভাৱে ডাঙৰ আৰু দ। উপহিমবাহৰ উপত্যকা সৰু আৰু কম দ। য'ত আহি উপহিমবাহ মূল হিমবাহৰ লগ লাগে তাতে স্বাভাৱিক কাৰণতে উপহিমবাহৰ উপত্যকাটো মূল হিমবাহৰ উপত্যকাৰ ওপৰত ওলমি থকা যেন লাগে। সেয়ে এই উপত্যকাটোক ওলোমা উপত্যকা বুলি কোৱা হয়। ❖

# Macbeth

■ **Bhaktimala Saikia**

*(Continued from 8th year, 4th Issue, May, 2021)*

It was a silent night. Suddenly a knock was heard. Macbeth trembled with fear. His guilt conscience had made him a coward. He was filled with remorse. Then lady Macbeth told him to wash his hands and put on the night gown so that nobody would think that they hadn't slept.

The knocking at the gate grew louder. So, the sleepy porter went to open the gate.

Two of king Duncan's noble attendants had arrived. They came early to attend the king. The two of them went to Duncan's room and found him dead. The castle was filled with fear and confusion. When they told Macbeth of the murder, he showed great anger. In pretended fury he killed Duncan's two guards. The king's two sons feared for their own safety. Malcolm, the elder one fled to England while his brother fled to Ireland. The witches' second prophecy was fulfilled.



Macbeth got what he wanted. He became the king of Scotland. But he did not feel safe. He mistrusted everyone. Especially he feared and mistrusted Banquo. Macbeth remembered the witches had promised Banquo that his descendants would be kings.

Macbeth and his wife planned to get rid of Banquo and his son Fleance. They invited the chief nobles to a feast. Macbeth hired two murderers to kill both Banquo and his son on their way to the castle. The hired murderers were successful in killing Banquo. They failed to kill Fleance. He escaped and fled to England. Long afterwards, a line of kings, descended from Fleance ruled Scotland. In this way, the witches' prophecy about Banquo also came true.

The noble guests arrived for the feast. The new King and Queen received them courteously. At that moment, one of the murderers appeared at the doorway. Macbeth spoke to him and learned that Banquo was dead and Fleance had escaped. Returning to his guests, Macbeth went to sit at the head of the royal table. He found that Banquo's ghost was sitting in his chair. Macbeth gazed at it in horror. He spoke to the ghost, which was invisible to the rest. Lady Macbeth tried to explain that her husband often had fits of that kind. But when she could read suspicion on many faces, she hurried the guests away. The nobles had seen enough to make them suspect Macbeth. Even Macduff had not come to the feast for he suspected betrayal. Macbeth now had many enemies. He became merciless. He was full of fears for the future. He decided to go and consult the three witches. They had prophesied truly before. He would ask them to prophesy again.

Macbeth found the witches where he had first met them. They were expecting him. The witches were preparing evil spells to call spirits from the dead. These spirits would reveal the future. ❖

*(To be continued)*

■ Dimple Talukdar

# The Human Brain



The human brain is one of the most important organs in a human body. It helps us think, reason, remember, and learn new things. The human brain weighs 3 pounds (1.36 kg).

It consists 60% of fat and is one of the fatest organs in the body. Human brain has the capacity to generate approximately 23 watts of power when awake. Of the total blood and oxygen that is produced in our body, the brain gets 20% of it. When the blood supply to the brain stops, it is almost after 8-10 seconds that the brain start losing the consciousness. The brain is capable of surviving for 5 to 6 minutes only if it doesn't get oxygen after which it dies. There are 100 billion neurons present in the brain. As we grow older, we are unable to remember new things. According to the researchers, it is because the brain is unable to filter and remove old memories which prevent it from absorbing new ideas. In fact, our brain and its superior functioning differentiate human beings from animals and other creations of the Almighty. ❖

# World's Highest Rail Bridge



Indian Railways is constructing the world's tallest railway bridge over Chenab river in Jammu and Kashmir. The construction of the 359 meter high bridge began in 2004. It may be noted that this bridge will be 30-35 m higher than the Eiffel Tower. This arch bridge will be 1.315 km long. The bridge will have railway stations at both its terminal ends. The bridge can withstand winds upto 260 kmph and its lifespan will be 120 years. The bridge will also be able to withstand any major blast. The bridge is designed by consultants from Finland and Germany. Apart from blasts, the bridge can withstand an earthquake of magnitude 8 on the Richter Scale. This bridge will form the crucial link between Katra and Banihal which is a key part of the Udhampur-Srinagar-Baramulla section of the Kashmir Railway project. ❖

# ৰাণী এলিজাবেথ দ্বিতীয়

■ পল্লৱী গোস্বামী



"অলং দলং পৰিছে
ৰজা-ৰাণী আহিছে..."

ৰজা-ৰাণী বুলি ক'লে আমাৰ সাধুকথা বা বুৰঞ্জীলৈ মনত পৰে। কিন্তু আজিও পৃথিৱীৰ কিছুমান দেশত ৰজাৰ শাসন বৰ্তি আছে। আমাৰ চুবুৰীয়া ভুটানো তেনে এখন দেশ। আজি আমি নিজৰ জীৱনকালত ইতিহাস ৰচনা কৰা তেনেকুৱা এগৰাকী ৰাণীৰ লগত চিনাকি হ'বলৈ ওলাইছোঁ। তেওঁ হৈছে ১৯৫২ চনৰ পৰা বৰ্তমানলৈ ব্ৰিটিছ শাসনৰ ইতিহাসত দীৰ্ঘকালৰ শাসক হিচাপে অভিলেখ গঢ়া ৰাণী এলিজাবেথ দ্বিতীয়। তেওঁ ২০১৫ চনত ব্ৰিটিছ শাসনকৰ্তা ৰাণী ভিক্ট'ৰিয়াৰ উক্ত অভিলেখ ভঙ্গ কৰে।

ৰাণী এলিজাবেথ দ্বিতীয়ৰ জন্ম হৈছিল ১৯২৬ চনৰ ২১ এপ্ৰিলত লণ্ডনৰ মেইফেয়াৰত। তেওঁৰ সম্পূৰ্ণ নাম হৈছে এলিজাবেথ এলেক্জেন্দ্ৰা মেৰী উইণ্ড্চ'ৰ। তেওঁৰ পিতৃ আছিল ইংলণ্ডৰ ৰজা ষষ্ঠ জৰ্জ আৰু মাতৃ ৰাণী এলিজাবেথ। তেওঁ ১৯৪৭ চনত এডিনবাৰ্গৰ ৰজা তথা গ্ৰীছ আৰু ডেনমাৰ্কৰ পূৰ্বৰ ৰাজকুমাৰ ফিলিপৰ লগত বিবাহপাশত আবদ্ধ হৈছিল। তেওঁলোকৰ চাৰিটি সন্তান ক্ৰমে ৰাজকুমাৰ চাৰ্লছ, ৰাজকুমাৰী এনি, ৰাজকুমাৰ এণ্ড্ৰিউ আৰু ৰাজকুমাৰ এডৱাৰ্ড। চলিত বৰ্ষৰ ৯ এপ্ৰিল তাৰিখে তেওঁৰ স্বামী ফিলিপৰ ৯৯ বছৰ বয়সত দেহাৱসান ঘটে। ১৯৫২ চনত পিতৃ ষষ্ঠ জৰ্জৰ মৃত্যুৰ পিছত একমাত্ৰ যোগ্য উত্তৰাধিকাৰী হিচাপে ৰাণী এলিজাবেথ দ্বিতীয়ই ২৫ বছৰ বয়সত শাসনৰ দায়িত্বভাৰ গ্ৰহণ কৰিছিল।

ৰাণী এলিজাবেথ দ্বিতীয় নিজৰ কৰ্তব্যনিষ্ঠা আৰু দেশ সেৱাৰ প্ৰতি সমৰ্পণৰ ভাবৰ বাবে এগৰাকী বিশ্ববন্দিত মহিলা নেত্ৰী। বহুতো ৰাজহুৱা আৰু স্বেচ্ছামূলক সেৱাৰ বিভিন্ন দিশ চোৱা-চিতা কৰাটো ৰাণীয়ে গুৰুত্বপূৰ্ণ কৰ্তব্য বুলি গণ্য কৰে। তেওঁ ছশতকৈও অধিক অনুদানমূলক সংস্থা, বিভিন্ন সামৰিক সংগঠন, বৃত্তিমূলক সংস্থা আৰু চৰকাৰী সেৱাৰ ৰাজপ্ৰতিনিধি হৈ যোগাযোগ ৰক্ষা কৰে।

ঘৰত মৰমতে সকলোৱে লিলিবেট বুলি মতা এলিজাবেথে শৈশৱত ঘৰুৱা শিক্ষকৰ তত্ত্বাৱধানত ইতিহাস, সংগীত আৰু ভাষাৰ শিক্ষা গ্ৰহণ কৰিছিল। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত ১৪ বছৰীয়া এলিজাবেথে অনাতাঁৰ যোগে জনতাক সম্বোধি প্ৰতিকূল পৰিস্থিতিত ধৈৰ্য্য ধৰিবলৈ সাহস যোগাইছিল। ইয়াৰ পৰাই তেওঁৰ সাহসিকতা, সহৃদয়তা আৰু নেতৃত্বশীলতাৰ উমান পোৱা যায়।

মহাৰাণী এলিজাবেথে হাতত লৈ থাকে উত্তৰাধিকাৰী সূত্ৰে লাভ কৰা ৰাজচিহ্নযুক্ত এডাল ৰাজদণ্ড। তেওঁ পৰিধান কৰে ২৮৬৮ ডোখৰ হীৰা খচিত এটি মুকুট। তেওঁ যিখন গাড়ী ব্যৱহাৰ কৰে তাত কোনো নম্বৰ প্লেট নাথাকে। তেওঁ বৰ্তমান ব্ৰিটিছ ৰাজপৰিয়ালৰ একমাত্ৰ জীৱিত ব্যক্তি যিয়ে দ্বিতীয় বিশ্বযুদ্ধত চৰকাৰীভাৱে সেৱা আগবঢ়াইছিল। বিশ্বযুদ্ধৰ সময়ত ৰাজকুমাৰী এলিজাবেথে Auxiliary Territorial Serviceত যোগদান কৰি ট্ৰাকচালক আৰু মেকানিক হিচাপে প্ৰশিক্ষণ লৈছিল।

ৰাজপৰিয়ালকেন্দ্ৰিক বিভিন্ন ঘটনা-পৰিঘটনাৰ বাবে ৰাণী এলিজাবেথ দ্বিতীয় তেওঁৰ জীৱনকালত বিভিন্ন সমস্যাৰ সন্মুখীন হৈছে আৰু তাৰ সমাধানো কৰিছে। কিন্তু ৰাণীৰ কোনো কাৰ্য্যই ৰাজপৰিয়াল তথা দেশৰ মৰ্য্যাদা হানি কৰা নাই বৰং বৃদ্ধিহে কৰিছে। ❖

# ভাৰতত ডিকিনছনিয়া

■ ছেহনাজ আখটাৰ

মধ্য ভাৰতৰ ভূপালত অৱস্থিত ভীমবেট্‌কা শিলাশ্ৰয় এক প্ৰত্নতাত্ত্বিক স্থান। ইয়াত প্ৰাগ্‌ঐতিহাসিক আৰু ঐতিহাসিক যুগৰ অনেক নিদৰ্শন পোৱা যায়। ভাৰতত মানৱ জীৱনৰ আদি অৱস্থা আৰু প্ৰস্তৰ যুগৰ বিভিন্ন সাক্ষ্য ভীমবেট্‌কাৰ এই শিলাশ্ৰয়ত দেখিবলৈ পোৱা যায়।



ভাৰতৰ মধ্যপ্ৰদেশৰ ভূপালৰ দক্ষিণ-পূব দিশত প্ৰায় ৪৫ কিল'মিটাৰ দূৰত্বত অৱস্থিত ৰাইচেন জিলাত এই শিলাশ্ৰয় অৱস্থিত।

এই শিলাশ্ৰয় ইউনেস্ক'ৰ (UNESCO) বিশ্বঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃত। সাতখন পাহাৰ তথা প্ৰায় ১০ কিল'মিটাৰ জুৰি এই শিলাশ্ৰয় বিস্তৃত হৈ আছে।

এনছাইক্ল'পিডিয়া ব্ৰিটানিকা অনুসৰি এই শিলাশ্ৰয়ে প্ৰাগঐতিহাসিক অধ্যাত্মিকতাবাদ, মানৱ বসতি, চিকাৰ কাৰ্য্য, কৃষি, সাংস্কৃতিক বিৱৰ্তন আদিৰ সাক্ষ্য বহন কৰে।

ভীমবেট্‌কা শিলাশ্ৰয় অসংখ্য গুহা চিত্ৰৰে ভৰপূৰ। এই চিত্ৰবোৰ ভেষজ ৰঙেৰে অঁকা হৈছিল আৰু ইয়াৰে আটাইতকৈ পুৰণি চিত্ৰটো ১০,০০০ বছৰ পুৰণি বুলি ধাৰণা কৰা হয়। কিন্তু ২০২০ চনৰ এক আৱিষ্কাৰে ভীমবেট্‌কাৰ শিলাশ্ৰয়ক গুহা চিত্ৰৰ লগতে আন এক দিশতো বিখ্যাত কৰি তোলে।

২০২০ চনৰ মাৰ্চ মাহত অনুষ্ঠিত হ'বলগীয়া ইণ্টাৰনেশ্বনেল জিঅ'লজিকেল কংগ্ৰেছ ক'ভিড-১৯ অতিমাৰীৰ বাবে অনুষ্ঠিত হোৱা নাছিল। জিঅ'লজিকেল চাৰ্ভে অব ইণ্ডিয়াৰ দুজন বিজ্ঞানী এই অনুষ্ঠানৰ আগেয়ে ভূপালৰ এই শিলাশ্ৰয়লৈ পৰ্য্যটনৰ বাবে গৈছিল।

গুহাৰ চিত্ৰসমূহ লক্ষ্য কৰি থাকোঁতে বিশেষজ্ঞকেইজনে অডিটৰিয়াম কেভ নামৰ এটা গুহাৰ প্ৰায় ১১ ফুট ওখ শিলাময় বেৰত এক পাতৰ দৰে এটা অগতানুগতিক চাপ লক্ষ্য কৰিলে। তেওঁলোকে ইয়াৰ ফটো তুলি ত্ৰিমাত্ৰিক আৰ্হি প্ৰস্তুত কৰি অধ্যয়ন কৰে। তেওঁলোকৰ গৱেষণাৰ পৰা প্ৰমাণিত হ'ল যে এয়া কোনো গুহা কলা নহয়, ই অতি পুৰণি এক জীৱৰ জীৱাশ্মহে। এই জীৱবিধৰ নাম ডিকিনছনিয়া (Dikinsonia)।

ডিকিনছনিয়া এবিধ বিলুপ্ত জীৱ। এই জীৱবিধ প্ৰায় ৫.৪ কোটি বছৰ আগতে পৃথিৱীত পোৱা গৈছিল। এই সময়ৰ বেছিভাগ জীৱৰে দেহবোৰ অৰীয়ভাৱে সমমিত। কিছুমান জীৱৰ দেহ দ্বিপাৰ্শ্বীয়ভাৱে সমমিত। ডিকিনছনিয়াৰ জীৱাশ্ম আগতে অষ্ট্ৰেলিয়া, চীন, ৰাছিয়া আৰু ইউক্ৰেইনত পোৱা গৈছিল আৰু শেহতীয়াভাৱে ভাৰতত ইয়াৰ জীৱাশ্ম পোৱা গ'ল।

ডিকিনছনিয়া জীৱবিধ উপবৃত্তাকাৰ। ইয়াৰ গোটেই শৰীৰটোত কামিহাড়সদৃশ গঠন দেখিবলৈ পোৱা যায়। ডিকিনছনিয়াৰ লগত সদৃশ আন জীৱৰ তথ্য এতিয়ালৈ পোৱা নাই। পোনপ্ৰথমে ডিকিনছনিয়াক ভেঁকুৰৰ এক ভাগ বুলি ভবা হৈছিল। কিন্তু পিছত ইয়াৰ জীৱাশ্মত পোৱা কলেষ্টেৰল অণুৰ উপস্থিতিয়ে প্ৰমাণ কৰে যে ই দৰাচলতে এটা প্ৰাণীহে আছিল।

ডিকিনছনিয়াৰ বাসস্থান সম্পৰ্কে বহুতো বিতৰ্ক হয়। কিছু বিশেষজ্ঞৰ মতে এই জীৱসমূহ কেৱল সাগৰতলিতহে বাস কৰিব পাৰে। আনহাতে কিছুসংখ্যকে ই মাটিত বাস কৰিছিল বুলিও কয়। ডিকিনছনিয়াৰ শেহতীয়া আৱিষ্কাৰৰ দ্বাৰা প্ৰমাণ হ'ল যে ই মাটিত সুন্দৰকৈ বসবাস কৰিব পাৰিছিল। ❖


হিক্কিম


হিক্কিমৰ ডাকঘৰটো

‘দ্বিতীয় বিশ্বযুদ্ধ’ শীৰ্ষক লেখাটোৰ লগত সম্পৰ্কিত ছবি







